# সদৌ অসম কৰ্মচাৰী পৰিষদ

(অসম চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত)

কেন্দ্ৰীয় কাৰ্য্যালয় ঃ দিশপুৰ , গুৱাহাটী - ৭৮১০০৬

## বিংশতিতম্ বাৰ্ষিক সাধাৰণ সভা

আৰু

## মুকলি অধিবেশন

## সম্পাদক প্ৰধানৰ প্ৰতিবেদন

১২/০৭/০৩ ইং তাৰিখৰ কেন্দ্ৰীয় কাৰ্য্যকৰী কমিটিৰ সভাত গৃহিত

তাৰিখ ২১,২২,আৰু ২৩ জুলাই, ২০০৩ ইং

স্থান ঃ (সাধাৰণ সভা) শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমূখী বিদ্যালয়,

মুকলি অধিবেশন ঃ বৰ্ডিং খেল পথাৰ , শিৱসাগৰ নগৰ

জিলা - শিৱসাগৰ (অসম)

তাৰিখ ঃ শিৱসাগৰ

২৩ জুলাই , ২০০৩ চন

**শ্ৰীচৰণ ডেকা**

সম্পাদক প্ৰধান

সদৌ অসম কৰ্মচাৰী পৰিষদ

OKDISCD

# সদৌ অসম কৰ্মচাৰী পৰিষদৰ

*বিংশতিতম বাৰ্ষিক সাধাৰণ সভা*

আৰু

## মুকলি অধিবেশন।

# সম্পাদক প্ৰধানৰ প্ৰতিবেদন

মাননীয় সভাপতি মহোদয়, সন্মানিত মুখ্য অতিথি,
অসমৰ মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ দেৱ,
স্মৃতিগ্ৰন্থ উন্মোচক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য্য
ড° কুলেন্দু পাঠক মহাশয়,
মুকলি অধিবেশনৰ উদ্বোধক, সাংসদ শ্ৰীযুত বিজয় কৃষ্ণ সন্দিকৈ ডাঙৰীয়া
শ্ৰদ্ধাভাজন বিশিষ্ট অতিথি মণ্ডলী,যথাক্ৰমে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী
তথা প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মন,
শক্তি মন্ত্ৰী শ্ৰীযুত দেবানন্দ কোঁৱৰ
হস্ত, তাত, বস্ত্ৰ আদি বিভাগৰ মন্ত্ৰী
ড° হেমপ্ৰভা শইকীয়া
অসম বিধান সভাৰ বিৰোধী দলপতি
শ্ৰীযুত বৃন্দাবন গোস্বামী
সাংসদদ্বয় শ্ৰীযুত দ্ৰুপদ বৰগোহাঞী
আৰু শ্ৰীযুত ইন্দ্ৰমণি বৰা লগতে শ্ৰদ্ধাৰ
নিৰ্দ্দিষ্ট বক্তা যথাক্ৰমে সদৌ অসম ছাত্ৰ সন্থাৰ
সাধাৰণ সম্পাদক শ্ৰীযুত অমিয় কুমাৰ ভূঞা
আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ
সাধাৰণ সম্পাদক শ্ৰীযুত দিলীপ শংকৰ শইকীয়া,
অভ্যৰ্থনা সমিতিৰ সভানেত্ৰী
তথা শিৱসাগৰ জিলাৰ উপায়ুক্ত শ্ৰীমতী গায়েত্ৰী বৰুৱা আই , এ , এচ.



OKDISCD

প্ৰমুখ্যে অভ্যাৰ্থনা সমিতিৰ বিষয় ববীয়া, সদস্য বৃন্দ, মহামান্য, প্ৰতিনিধি বৰ্গ, কৰ্মচাৰী শ্ৰমিক, শিক্ষক বিষয়া প্ৰমুখ্যে পূজনীয়া ৰাইজ,মহিলা,সমাজ আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী ভাই-ভনী সকল,

**জয় জয়তে** আমাৰ সশ্ৰদ্ধ নমস্কাৰ লব। সদৌ অসম কৰ্মচাৰী পৰিষদৰ বিংশতিতম্ বাৰ্ষিক সাধাৰণ সভাৰ আজিৰ এই মুকুলি অধিবেশনত আপোনাসবৰ দৰে সজ্জন আৰু জ্ঞানী গুনি ব্যাক্তি সবৰ লগত এনেদৰে মিলিবলৈ পাই আমি নিজকে ধন্য মানিছো। ইতিহাস প্ৰসিদ্ধ, অসমৰ জাতীয় জীৱনৰ মহিমাৰে সমৃদ্ধ শিৱসাগৰ জিলাত শিৱসাগৰ নগৰস্থিত বৰ্ডিং খেল পথাৰত অনুষ্ঠিত আজিৰ এই অধিবেশন ইয়াৰ ইতিহাস সমৃদ্ধ ঐতিহ্যৰ অংশ স্বৰূপ হব সেইটো ধ্ৰূপ বুলি আমি বিশ্বাস কৰিছো। শিৱসাগৰ জিলা কৰ্মচাৰী পৰিষদে অশেষ আগ্ৰহেৰে সদৌ অসম কৰ্মচাৰী পৰিষদৰ এই অধিবেশন ইয়ালৈ আমন্ত্ৰণ কৰি আনিছে, আৰু সীমাহীন কষ্ট মুৰপাতি লৈ অধিৱেশনখন সফল কৰাৰ অৰ্থে অহোপুৰুষাৰ্থ কৰিছে। শিৱসাগৰ বাসী ৰাইজ কৰ্মচাৰী শিক্ষক, বিষয়া ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট ব্যাক্তি সকলৰ আন্তৰিক সহযোগিতা আৰু আশীৰ্বাদ এই অধিৱেশন সফলকাম হোৱাৰ অন্যতম প্ৰধান কাৰণ বুলি আমি অনুভৱ কৰিছো আৰু তাৰ বাবে সংশ্লিষ্ট সকললৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

## <u>হে সুধীমণ্ডলী ঃ</u>

ইংৰাজী ২০০১ চনৰ জানুৱাৰী মাহৰ ২০,২১ আৰু ২২ তাৰিখে ৰঙিয়া জিলা কৰ্মচাৰী পৰিষদৰ আমন্ত্ৰন ক্ৰমে ৰঙিয়া নগৰত অনুষ্ঠিত হৈ যোৱা পৰিষদৰ অষ্টাদশ বাৰ্ষিক অধিৱেশনত সদৌ অসম কৰ্মচাৰী পৰিষদৰ বৰ্ত্তমানৰ কাৰ্য্যকৰী কমিটি খন দুবছৰীয়া কাৰ্য্য কালৰ বাবে গঠিত হয়। পৰিষদৰ সংবিধান মতে প্ৰত্যেক বছৰে জানুৱাৰী মাহত ইয়াৰ বাৰ্ষিক অধিবেশন হব লাগে। সেইমতে বৰ্ত্তমানৰ কাৰ্য্যকৰী কমিটি খনৰ কাৰ্য্যকাল যোৱা জানুৱাৰী মাহৰ ভিতৰতে সম্পন্ন হব লাগিছিল যদিও এৰাব নোৱাৰা কাৰণত অধিৱেশন খন অনুষ্ঠিত কৰণত পলম হ'ল। প্ৰথমে অধিবেশন খন হাফলং জিলা কৰ্মচাৰী পৰিষদৰ আমন্ত্ৰণ ক্ৰমে হাফলংত অনুষ্ঠিত কৰাৰ বাবে যো-জা কৰা হৈছিল যদিও তাত পৰিস্থিতিৰ প্ৰতিকুলতাৰ প্ৰতি লক্ষ্য ৰাখি অধিবেশণৰ স্থান সলনি কৰিব লগা হল। পৰিষদৰ সংবিধানৰ ৯ ধাৰাই পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্যকৰী কমিটিৰ ওপৰত ন্যাস্ত কৰা দায়িত্বৰ ভিত্তিত কাৰ্য্যকৰী কমিটিৰ সভাই বৰ্ত্তমানৰ কাৰ্যকৰী



OKDISCD

কমিটিখনৰ কাৰ্য্যকাল যোৱা জানুৱাৰী মাহৰ পৰা চলিত মাহলৈ (৬ মাহৰ বাবে) বৰ্দ্ধিত কৰিছে।

আনহাতে পৰিষদৰ উনৈশতম্ বাৰ্ষিক সাধাৰণ সভা আৰু মুকলি অধিবেশন উত্তৰ লক্ষীমপুৰ জিলা কৰ্মচাৰী পৰিষদৰ আমন্ত্ৰণ ক্ৰমে ২০০২ বৰ্ষৰ ৩,৪ আৰু ৫ ফেব্ৰুৱাৰীত তিনিদিনীয়া বিস্তৃত কাৰ্য্যসূচীৰে আৰু অতিশয় সফলতাৰে উত্তৰ লক্ষ্মীম পুৰ নগৰত অনুষ্ঠিত হৈ যায়। উনৈশতম্ উত্তৰ লক্ষীমপুৰ অধিবেশনত গঠিত আৰু গৃহীত সম্পাদক প্ৰধানৰ প্ৰতিবেদনত অষ্টাদশ বাৰ্ষিক ৰঙিয়া অধিবেশনত গঠিত বৰ্ত্তমানৰ কাৰ্য্যকৰী কমিটি খনৰ নামৰ তালিকা সহকাৰে সেই অধিবেশনত গৃহীত প্ৰস্তাৱ আৰু সিদ্ধান্ত সমূহ কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় কমিটিয়ে লোৱা ব্যৱস্থাদিৰ বৰ্ণনা বিষদ বাখ্যা সহকাৰে ব্যক্ত কৰা হৈছে। সেয়ে অষ্টাদশ বাৰ্ষিক ৰঙিয়া অধিবেশনো আশাতীত ভাবে সফল কাম কৰাৰ বাবে ৰঙিয়া জিলা কৰ্মচাৰী পৰিষদলৈও আমাৰ শলাগ জনাই উনৈশতম্ উত্তৰ লক্ষ্মীমপুৰ অধিবেশনত গৃহীত প্ৰস্তাব আৰু সিদ্ধান্ত সমূহ কাৰ্য্যকৰী কৰণৰ অৰ্থে পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্যকৰী কমিটি আৰু কৰ্ণধাৰ সমিতিয়ে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কে এই প্ৰতিবেদনত কিছু বৰ্ণনা তথা বাখ্যা দাঙি ধৰাতো সমীচিন হব বুলি আমি বিবেচনা কৰিলোঁ।

**উত্তৰ লক্ষ্মীমপুৰ অধিবেশনে সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰা ১ নং প্ৰস্তাব মৰ্মে ৰাজ্য চৰকাৰৰ ওচৰত দাবী জনাইছিল যে –**

১। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ লগত সামঞ্জস্য ৰাখি অসমৰ ৰাজ্যিক কৰ্মচাৰীৰ দৰমহা নিৰ্দ্ধাৰণৰ বাবে অসম চৰকাৰে মুখ্য সচিবক অধ্যক্ষ হিচাপে লৈ ২০০১ চনৰ আগষ্ট মাহতে গঠন কৰা উচ্চস্তৰীয় কমিটিৰ (High Level Commitee) প্ৰতিবেদন তৎকালে প্ৰকাশ কৰক আৰু পৰিষদৰ লগত আনুষ্ঠনিক আলোচনাৰে দাবীটো মীমাংসা কৰক।

২। ৰাজ্যিক কৰ্মচাৰীৰ ক্ষেত্ৰটো কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ অনুৰূপ টাইম স্কেল পদোন্নতিৰ ব্যৱস্থা নিশ্চিত কৰক।।

৩। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীকে ধৰি ৰাষ্ট্ৰখনৰ বিভিন্ন ৰাজ্যৰ ৰাজ্যিক কৰ্মচাৰীৰ ক্ষেত্ৰত কৰাৰ দৰে অসমতো ৰজ্যিক কৰ্মচাৰীৰ বাবে চাকৰিৰ পৰা অৱসৰৰ বয়স দুবছৰ বৃদ্ধি কৰা হওঁক।



OKDISCD

৪। সকলো শ্ৰেণীৰ কৰ্মচাৰী শ্ৰমিক, শিক্ষক আৰু বিষয়াৰ মাহিলি দৰমহা পৰিকল্পনা ভুক্ত আৰু পৰিকল্পনা বহিৰ্ভুতৰ পাৰ্থক্য নৰখাকৈ প্ৰতি মাহৰ শেষ কৰ্মদিনত আদায় দিয়াটো নিশ্চিত কৰক।

৫। ১/৭/২০০১ ইং তাৰিখৰ পৰা এতিয়ালৈ প্ৰাপ্য হোৱা মৰগীয়া বানচ তৎকালে আদায় দিয়ক।

৬। ১৯৯২ চনৰ পৰা প্ৰত্যেক বছৰে বহাগ বিহুৰ সময়ত ৰাজ্যিক কৰ্মচাৰী সকলে পাই অহা এক্সগ্ৰেচিয়া আৰু ১৯৯৭ চনৰ বহাগ বিহুৰ সময়ত অনাদায় এক্স গ্ৰেচীয়াৰ অংশ আদায় দিয়ক। উল্লেখ্য যে ১৯৯৯ চনৰ বহাগ বিহুৰ পৰা ২০০০ আৰু ২০০১ বৰ্ষৰ এক্সগ্ৰেচিয়া ৰাজ্য চৰকাৰে অনাদায় ৰাখিছে। এনেদৰে ১৯৯৭ চনৰ বহাগ বিহুৰ সময়ত ১০০০ টকাকৈ আদায় দি বাকী এটা অংশ অনাদায় ৰখা হৈছে।

৭। চৰকাৰী স্বীকৃতি প্ৰাপ্ত প্ৰাথমিক, মধ্য ইংৰাজী আৰু উচ্চ মাধ্যমিক বিদ্যালয় সমূহ পৰ্য্যায় ক্ৰমে প্ৰাদেশীকৰণ কৰাটো নিশ্চিত কৰক।

৮। ৰাজ্য চৰকাৰৰ ধন আত্মস্যাৎ তথা অপচয় কৰাৰ অভিযোগৰ ন্যায় সংগত আৰু নিৰপেক্ষ বিচাৰৰ বাবে ন্যায়িক তদন্তৰ ব্যৱস্থা কৰক আৰু অভিযোগ প্ৰমাণিত হোৱা সকলো ৰাজনৈতিক নেতা, কৰ্মী, উচ্চস্তৰীয় আমোলা, কৰ্মচাৰী আৰু বিষয়াৰ বিৰুদ্ধে কঠোৰতম শাস্তি বিধান কৰাটো নিশ্চিত কৰা হওঁক। ৰাজ্যকোষৰ ধন আত্মস্যাৎকাৰী ব্যাক্তি অবৈধ সম্পত্তি বাজেয়াপ্ত কৰাৰ বাবে কঠোৰতম প্ৰদক্ষেপ গ্ৰহণ কৰা হওঁক।

৯। বিত্তীয় সংস্কাৰৰ অজুহাতত বিগত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত সম্পাদিত কৰাৰ বুজা-বুজিৰ, চুক্তি (MOU) বাতিল কৰক আৰু ৰাজ্য চৰকাৰৰ চৰকাৰী কাৰ্য্যালয়ত,তথা অনুষ্ঠান, প্ৰতিষ্ঠানত খালি পৰি থকা পদ সমূহ বিলুপ্ত নকৰি সেইবোৰ বিভাগীয় নীতি আৰু পদ্ধতি মতে নিবনুৱাৰ নিযুক্তিৰে পুৰণ কৰক। খালী পদ বিলুপ্তি কৰনৰ চৰকাৰী সিদ্ধান্ত প্ৰত্যাহাৰ কৰা হওঁক। বিত্তীয় সংস্কাৰৰ প্ৰহমন মুলক ব্যৱস্থা কৰণৰ নামত অসম চৰকাৰৰ মুখ্য সচিবক অধ্যক্ষ হিচাপে লৈ গঠন কৰা উচ্চ ক্ষমতাপ্ৰাপ্ত কমিটি ভঙ্গ কৰক আৰু পদোন্নতিৰে পুৰণ কৰিবলগীয়া পদ সমূহ সংশ্লিষ্ট অৰ্হতা সম্পন্ন কৰ্মচাৰীৰ বিষযাৰ পদোন্নতিৰে পুৰণ কৰক। সম্প্ৰতি উচ্চতৰ পৰ্য্যায়ৰ বিষয়াৰ পদোন্নতি ত্বৰান্বিত গতিত অব্যাহত ৰাখি কেৱল নিম্ন, মধ্য পৰ্য্যায়ৰ

কর্মচাৰী, বিষয়াৰ পদোন্নতিৰ ক্ষেত্ৰতহে কৌশলগত ভাবে বাধাৰ সৃষ্টি কৰাৰ উদ্দেশ্যে উক্ত উচ্চ ক্ষমতা প্ৰাপ্ত কমিটিয়ে দৃষ্টি ভঙ্গি গ্ৰহণ কৰাটো পৰিলক্ষিত হৈছে।

১০। বিদ্যালয় সমূহৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ , ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক , ভাৰপ্ৰাপ্ত উপাধ্যক্ষ আৰু ভাৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক সকলৰ নিযুক্তি বিভাগীয় বিধিমতে নিয়মীয়া কৰি ৰাজ্যখনৰ বিদ্যালয় সমূহলৈ সুস্থ শৈক্ষিক পৰিবেশ ওভোতাই আনক।

১১। ইয়াৰ আগৰ অসম চৰকাৰে বন্ধ কৰি থৈ যোৱা পাহাৰী ভাট্ৰা আৰু ধেমাজিকে ধৰি কেইখন মান প্ৰাকৃতিক দুৰ্যোগ গ্ৰস্থ জিলাৰ কৰ্মচাৰী, শিক্ষকক প্ৰাপ্য অনুকম্পামূলক ভাট্ৰা পুনৰ আদায় দিয়ক আৰু ওপৰুক্ত ভাট্ৰাৰ নিৰিখ পুৰ্বৰ দৰে মূল দৰমহাৰ ওপৰত ১০ শতাংশ ধাৰ্য্য কৰা হওঁক।

১২। অসমলৈ বিদেশীৰ অনুপ্ৰবেশ বন্ধ কৰক আৰু ইতিমধ্যে অনুপ্ৰবেশ কৰা বিদেশীলোক সকলক চিনাক্ত কৰি বহিস্কাৰ কৰক, অসমক বিদেশীৰ কবলৰ পৰা ৰক্ষা কৰক।

১৩। ৰাজ্যখনৰ শান্তি শৃংখলাৰ মৌলিক স্বাৰ্থত আলফাৰ লগত আলোচনাৰে বিদ্ৰোহী সমস্যাৰ সমাধান কৰক ।একেদৰে বড়ো জনগোষ্ঠীয় এলেকাত বসবাস কৰি থকা প্ৰতিটো অবড়ো জনগোষ্ঠীৰ লোক সকলৰ স্বকীয় সত্বা আৰু আৰ্থ সামজিক তথা ৰাজনৈতিক স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত কৰি বড়ো সমস্যাৰ সমাধান কৰক । একেদৰে ৰাজ্যখনত বিভিন্ন জনগোষ্ঠীয় সমস্যা সমাধানৰ জৰিয়তে ৰাজ্যখনত শান্তি , সম্প্ৰীতি আৰু প্ৰগতিৰ ভেটি গঢ়ি তোলাৰ বাবে বাস্তৱ তথা গতিশীল কাৰ্য্যকৰী পদক্ষেপ গ্ৰহণ কৰা হওঁক।

১৪। অসম চৰকাৰৰ অৱসৰ প্ৰাপ্ত মুখ্য সচিব শ্ৰীহৰেণ দাস কমিটিয়ে ৰাজ্য চৰকাৰৰ ওচৰত দাখিল কৰা অকাৰ্য্যকাৰী, অবাস্তৱ প্ৰতিবেদন কাৰ্য্যকৰী কৰাটো বন্ধ কৰক আৰু সেই সম্পৰ্কত সদৌ অসম কৰ্মচাৰী পৰিষদৰ লগত চৰকাৰে বিতং আলোচনাৰ দিহা কৰক।

১৫। সদৌ অসম কৰ্মচাৰী পৰিষদৰ সদস্যভূক্ত (Affiliated ) সন্থা , সংঘ, সন্মিলনী সমূহৰ দাবীবোৰ বিভাগীয় ভাবে আনুষ্ঠানিক আলোচনাৰে পূৰণ কৰাৰ ব্যৱস্থা নিশ্চিত কৰা হওঁক।

OKDISCD

**পৰম শ্ৰদ্ধাভাজন সুধী সমাজঃ**

ঊনৈশতম্ বাৰ্ষিক উত্তৰ লক্ষ্মীমপুৰ অধিবেশনত গৃহীত উল্লেখিত দাবী সন্নিবিষ্ট প্ৰস্তাব অসমৰ মাননীয় মুখ্যমন্ত্ৰী আৰু অসম চৰকাৰৰ মুখ্য সচিবৰ ওচৰত উক্ত অধিবেশনৰ পাছতেই দাখিল কৰা হয়। লগতে সেই প্ৰস্তাব তথা দাবী সমূহৰ ওপৰত পৰিষদৰ লগত আনুষ্ঠানিক আলোচনা অনুষ্ঠিত কৰাৰ বাবেও মুখ্য মন্ত্ৰী আৰু মুখ্য সচিবক পত্ৰযোগে অনুৰোধ জনোৱা হয় যদিও আজিলৈ পৰিষদৰ লগত এলানি সোহাৰ্দপূৰ্ণ আলোচনা অনুষ্ঠিত কৰণৰ বাবে মুখ্যমন্ত্ৰী বা মুখ্য সচিব আগ্ৰহান্বিত হোৱাটো পৰিলক্ষিত নহ'ল। আমিও এই কথা অনুভৱ নকৰাকৈ নাথাকো যে আমাৰ গোটেই বোৰ দাবী একেলগে আৰু একেদিনাই পুৰ্ণ কৰাটো সহজসাধ্য নহয়। কিন্তু আলোচনাৰ ব্যৱস্থা অব্যাহত ৰাখি পৰ্য্যায় ক্ৰমে এটা দুটাকৈ সমস্যা সমূহ সমাধান কৰাৰ ব্যৱস্থা নিশ্চিত কৰণৰ সুযোগ গ্ৰহণ কৰিব পৰাৰ থল নিশ্চয় আছে। আলোচনাৰে মীমাংসা কৰিব নোৱাৰা দাবী পৰিষদে কেতিয়াও উত্থাপন কৰা নাই আৰু ভৱিষ্যতেও তেনে দাবী পৰিষদে উত্থাপন কৰিব পাৰে বুলি ভবাৰ কাৰণ নাই। উত্তৰ লক্ষ্মীমপুৰ অধিবেশনৰ পাছত বিগত প্ৰায় ডেৰ বছৰ কাল ধৰি কৰ্মচাৰী পৰিষদৰ লগত ৰাজ্য চৰকাৰে আনুষ্ঠানিক আলোচনা নকৰাটো বিসংগতি পুৰ্ণ ঘটনা বুলি আমি গণ্য কৰিছো। লগতে আমি আজিৰ এই মুকলি অধিবেশনৰ পবিত্ৰ ক্ষনত পুনৰ নিষ্ঠা আৰু দৃঢ়তাৰে ঘোষনা কৰিবলৈ কুণ্ঠাবোধ নকৰো যে সদৌ অসম কৰ্মচাৰী পৰিষদ ইয়াৰ সভাপতি আৰু সম্পাদক প্ৰধান প্ৰমুখ্যে ৰাজ্যখনৰ কৰ্মচাৰী সকল চৰকাৰ বিৰোধী নহয়। কৰ্মচাৰী সকল চৰকাৰৰ আবিচ্ছেদ্য অংগ। কৰ্মচাৰী শিক্ষক আৰু বিষয়া সকল চৰকাৰ বিদ্বেষী হব পৰাৰ প্ৰশ্ন অবান্তৰ। নিম্নতম্ অপৰিহাৰ্য্য প্ৰাপ্য খিনি সময়মতে আদায় দিলে আৰু মানবীয় মৰ্য্যদাৰ দৃষ্টিৰে তেখেত সকলৰ সমস্যাৰ প্ৰতি কতৃপক্ষই তথা ৰাজ্য চৰকাৰ খনে আগ্ৰহ প্ৰদৰ্শন কৰিলেই তেখেত সকল সুখী হয় আৰু কৃতাৰ্থ হৈ চৰকাৰৰ প্ৰতি অধিক সহযোগী হয়, কৰ্মঅনুপ্ৰেৰণা লাভ কৰে। কৰ্মচাৰী সমাজ খনৰ এই গুৰুত্ব পুৰ্ণ মনোস্তাত্বিক অনুভুতিক ৰাজ্যচৰকাৰে সমূচিত ভাৱে উপলব্ধি কৰিব পাৰিলে ই প্ৰশাসনীয় ব্যৱস্থাত ইয়াৰ পদ্ধতি আৰু প্ৰক্ৰিয়াত তথা কাম-কাজত আমুল পৰিবৰ্ত্তন হব পৰাৰ সম্ভাৱনালৈ আমি ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। এই বাস্তৱতাক অনুধাবন কৰিবলৈ অসম চৰকাৰৰ লগত কৰ্মচাৰীৰ সংঘাত নিতান্তই অহেতুক তথা অৱান্তৰ বুলি আমি সন্দেহাতীত প্ৰত্যয় পোষণ কৰিছো।

## সন্মানিত কৰ্মচাৰী বন্ধু-বান্ধবী সকলঃ

ঊনৈশতম্ বাৰ্ষিক উত্তৰ লক্ষ্মীমপুৰ অধিবেশনৰ পুৰ্বে বিগত ৩০/৬/২০০১ তাৰিখে মাননীয় মুখ্যমন্ত্ৰীৰ আমন্ত্ৰণ ক্ৰমে সদৌ অসম কৰ্মচাৰী পৰিষদৰ কৰ্ণধাৰ সমিতিৰ লগত ৰাজ্য চৰকাৰৰ লগত এলানি আনুষ্ঠানিক আলোচনা অনুষ্ঠিত হৈছিল। উত্তৰ লক্ষীমপুৰ অধিবেশনত গৃহীত প্ৰস্তাৱ আৰু অষ্টাদশ ৰঙিয়া অধিবেশনত গৃহীত মুল প্ৰস্তাব তথা দাবীবোৰ প্ৰায় অনুৰূপ । মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ ডাঙৰীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত সেই আলোচনাত চৰকাৰৰ ফালৰ পৰা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মন , গড়কাপ্তানি মন্ত্ৰী শ্ৰীযুত শৰৎ বৰকটকী , মূখ্য সচিব শ্ৰীযুত পি.কে বড়া, সচিবালয় প্ৰসাশন বিভাগৰ আয়ুক্ত আৰু সচিব শ্ৰীমতী এমিলী চৌধুৰী , বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিব শ্ৰীযুত ৰাজীৱ বৰা, মুখ্যমন্ত্ৰীৰ আয়ুক্ত শ্ৰীযুত এম.জি.ভি.কে. ভানু . কৰ্মচাৰী বিভাগৰ আয়ুক্ত আৰু সচিব শ্ৰীযুত জে.পি.শইকীয়া, কৰ্মচাৰী বিভাগৰ যুটীয়া সচিব শ্ৰীযুত পি. কে. গুপ্তাই অংশ গ্ৰহণ কৰে । আনফালে পৰিষদৰ সভাপতি আৰু সম্পাদক প্ৰধানৰ নেতৃত্বত কৰ্ণধাৰ সমিতিৰ কুৰি গৰাকী সদস্যই উক্ত আলোচনাত পৰিষদক প্ৰতিনিধিত্ব কৰে। মাননীয় মুখ্যমন্ত্ৰীৰ সভা কক্ষত অনুষ্ঠিত উক্ত আলোচনা প্ৰায় তিনি ঘন্টা সময় জুৰি চলাৰ অন্তত চৰকাৰৰ তৰফৰ পৰা পৰিষদক নিম্নোক্ত প্ৰতিশ্ৰুতি দিয়া হয়।

১। ন্যায় বিচাৰৰ স্বাৰ্থত পৰিষদে দাবী কৰা মতে অসমৰ ৰাজ্যিক কৰ্মচাৰীৰ দৰমহা কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ লগত সামঞ্জস্য ৰাখি নিৰ্দ্ধাৰণ কৰাৰ সন্দৰ্ভত চৰকাৰৰ ফালৰ পৰা কোৱা হয় "এইটো চূড়ান্ত ভাবে সিদ্ধান্ত লোৱা হল যে নিম্নোক্ত বিষয়া সকলক লৈ গঠন কৰিবলৈ বিচৰা এখন উচ্চ পৰ্য্যায়ৰ কমিটিয়ে বিষয়টো পুংখানুপুংখ ভাবে বিচাৰ কৰিব আৰু অতিশীঘ্ৰে সেই কমিটিয়ে অনুমোদন আগবঢ়াব । উল্লেখ্য যে আলোচনাৰ বিৱৰণীত অতিশীঘ্ৰে (Immediately) অনুমোদন দাখিল কৰিব বুলি লিখা হৈছে যদিও পৰিষদৰ অনুৰোধৰ প্ৰতি সহাৰি জনাই অনুমোদন ২০০১ বৰ্ষৰ পুজাৰ আগে আগেই দিয়াৰ বাবে সন্মতি প্ৰকাশ কৰিছিল। ১। মুখ্য সচিবক অধ্যক্ষ, ২। মাননীয় মুখ্যমন্ত্ৰীৰ আয়ুক্তক-সদস্য, ৩। কৰ্মচাৰী বিভাগৰ আয়ুক্ত আৰু সচিব আৰু ৪। বিত্ত বিভাগৰ আয়ুক্ত সচিবক সদস্য হিচাপে লৈ উচ্চস্তৰীয় কমিটিখন কৰা হয়।

২। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ দৰে অসমৰ ৰাজ্যিক কৰ্মচাৰীৰ বাবেও চাকৰিৰ

পৰা অৱসৰৰ বয়স দুবছৰ বৃদ্ধি কৰণৰ ক্ষেত্ৰত সদৌ অসম কৰ্মচাৰী পৰিষদৰ ফালৰ পৰা আগবঢ়োৱা যুক্তি মাননীয় মুখ্য মন্ত্ৰীয়ে প্ৰশংসা (Appreciate ) কৰিছিল আৰু তৎকালেই দাবীটো মানি লোৱাত অসুবিধাৰ কথা উল্লেখ কৰিছিল যদিও প্ৰস্তাৱটোৰ সন্দৰ্ভত চূড়ান্ত সিদ্ধান্তত উপনিত হোৱাৰ পুৰ্বে চৰকাৰে বিভিন্ন দিশ পৰীক্ষা কৰিব বুলি আশ্বাস দিছিল।

৩। টাইম স্কেল পদোন্নতিৰ দাবীটো অসম চৰকাৰৰ বিত্তীয় বিভাগে সহানুভুতিৰে বিবেচনা কৰিব বুলি কোৱা হৈছিল ।

৪। জি.পি.এফত জমা থোৱা সংশোধিত দৰমহাৰ বকেয়া ধন নন্ ৰিফাণ্ডেবল আৰু ৰিফাণ্ডেবল আগধন লোৱাত বাধা নথকাৰ কথা চৰকাৰে পৰিষদক নিশ্চিত কৰে আৰু বিষয়টো স্পষ্ট কৰি দি এখন চিঠি বিত্ত বিভাগে সংশ্লিষ্ট সকললৈ প্ৰেৰণ কৰাৰ বাবে চৰকাৰে সন্মতি প্ৰকাশ কৰে।

৫। ১৯৯৭ চনৰ বহাগ বিহুৰ সময়ত কৰ্মচাৰী সকলক আদায় দিবলৈ বাকী থকা এক্সগ্ৰেচিয়া উৰ্দ্ধতম ৬০০/- টকা আৰু ২০০2 বৰ্ষৰ বহাগ বিহুৰ সময়ত এক্সগ্ৰেচিয়া মঞ্জুৰীৰ সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ বিষয়টো বিত্ত বিভাগে পৰীক্ষা কৰিব বুলি চৰকাৰৰ ফালৰ পৰা পৰিষদক আশ্বাস দিয়া হৈছিল।

৬। সদৌ অসম কৰ্মচাৰী পৰিষদৰ ঘোষিত আন্দোলনত যোগদান কৰাৰ বাবে চৰকাৰে ৰাজ্যিক কৰ্মচাৰীৰ বিৰুদ্ধে লোৱা শাস্তিমুলক ব্যৱস্থা, দৰমহা কৰ্ত্তন আদিৰ বাবে দিয়া নিৰ্দ্দেশ উঠাই লবলৈ চৰকাৰে সন্মতি প্ৰদান কৰে।

৭। ৰাজ্যিক পৰ্য্যায়ৰ ক্ষমতাপ্ৰাপ্ত কমিটি (SLEC) ভঙ্গ কৰাৰ ক্ষেত্ৰত চৰকাৰে স্পষ্ট সিদ্ধান্ত প্ৰকাশৰ পৰা বিৰত থাকে।

৮। অসমলৈ বিদেশীৰ অনুপ্ৰৱেশৰ সমস্যা আৰু বড়োলেণ্ড সমস্যাৰ সমাধানৰ বাবে সদৌ অসম কৰ্মচাৰী পৰিষদৰ মন্তব্যৰ (View Point) সন্দৰ্ভত চৰকাৰে গুৰুত্ব দিব বুলি পৰিষদে কোৱা হৈছিল।

৯। পৰিকল্পনা বহিৰ্ভুত শিতানৰ শিক্ষক আৰু কৰ্মচাৰীয়ে দৰমহাৰ বকেয়া পাবলৈ সক্ষম নোহোৱাৰ সন্দৰ্ভত চৰকাৰৰ সকলো বিভাগলৈ নতুন নিৰ্দ্দেশনা প্ৰেৰণ কৰি দৰমহা পোৱাটো নিশ্চিত কৰিব বুলি পৰিষদক আশ্বাস দিয়া হয়। একেদৰে পাহাৰী জিলা দুখনৰ কৰ্মচাৰী সকলে পূৰ্বৰে পৰা পাই থকা পাহাৰী ভাট্টা আৰু কোনো জিলাত

অনুকম্পামূলক ভাট্টা বন্ধ হোৱাৰ তাৰিখৰ পৰা পুনৰ পাব লাগে বুলি পৰিষদৰ দাবীৰ প্ৰতি মুখ্য মন্ত্ৰীয়ে সন্মতি জনাইছিল। কিন্তু আলোচনাৰ বিৰৱনীত কথাখিনি বিভ্ৰান্তিকৰ ভাবে "সংশ্লিষ্ট বিভাগে সমস্যাটো চাব" বুলি লিখা হল। এইটো বেদনাদায়কবুলি আমি অনুভৱ কৰিছো।

১০। অনুকম্পা ভিত্তিত নিযুক্তিৰ বাবে ৫ শতাংশ পদ সংৰক্ষণৰ ব্যৱস্থা বাতিল কৰিবলৈ আৰু চাকৰি কালত মৃত্যু হোৱা সকলো কৰ্মচাৰী আৰু শিক্ষকৰ পৰিয়ালৰ সদস্যক নিযুক্তি দানৰ বিষয়টো খোলা ৰাখিবলৈ পৰিষদে জনোৱা দাবীৰ সন্দৰ্ভত পাচ শতাংশৰ সীমা উঠাই দিব নোৱাৰিলেও অন্তত ৫ শতাংশৰ পৰা ১০ শতাংশ কৰাৰ বিষয়টো পুনৰ পৰীক্ষা কৰিবলৈ বা আলোচনাৰ তাৰিখ পৰ্য্যন্ত অনুকম্পাভিত্তিত নিযুক্তিৰ বাবে বাট চাই থকা সকলো প্ৰাৰ্থীক নিযুক্তি দিয়াৰ বিষয়টো বিবেচনা কৰিবলৈ চৰকাৰ সন্মত হয়। কিন্তু বিষয়টো কাৰ্য্যকৰী হোৱা নাই।

১১। ৰাজ্যিক কৰ্মচাৰীৰ বাবে সামাজিক নিৰাপত্তা নিধিৰ (Social Security Fund) ব্যৱস্থা কৰনত প্ৰয়াত মুখ্যমন্ত্ৰী আৰু পৰিষদৰ বিশেষ উদ্যোগ থকাৰ কথা উল্লেখ কৰি চৰকাৰক কোৱা হৈছিল যে উক্ত নিধিত চৰকাৰৰ ফালৰ পৰা জমা দিয়া এক কোটি টকা যথেষ্ট নহয়। তথাপি সেই নিধিটোত কৰ্মচাৰী পৰিষদৰ সম্পূৰ্ণ অংশ আৰু অধিকাৰ থাকিব লাগে। নিধিৰ ধন ন্যাসৰ জৰীয়তে পৰিচালিত হব লাগে আৰু সেই ন্যাস কমিটিত কৰ্মচাৰী পৰিষদৰ সভাপতি আৰু সম্পাদক প্ৰধানক স্থায়ী সদস্য হিচাবে অন্তৰ্ভূক্ত কৰিব লাগে। পৰিষদৰ এই দাবী মুখ্যমন্ত্ৰীয়ে মানি লৈছিল আৰু পৰিষদৰ সভাপতি সম্পাদক প্ৰধানক কমিটিত ৰখাত কোনো আপত্তি নাই বুলি মুখ্যমন্ত্ৰীয়ে পৰিষদক অবগত কৰিছিল। কিন্তু আলোচনাৰ বিৰৰণীত মুখ্যমন্ত্ৰীৰ সন্মতিৰ কথা এৰাই গৈ আঁচনিখনৰ আচল স্থিতিটো পৰিষদক বাখ্যা কৰা বুলিহে লিখি থোৱা হ'ল। এইটো দুৰ্ভাগ্যজনক।

১২। পৰিষদৰ লগত ৰাজ্য চৰকাৰৰ পৰৱৰ্ত্তী আলোচনা ঃ

**শ্ৰদ্ধাভাজন** সুধী সমাজ, মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত ৩০/০৬/২০০১ ইং তাৰিখৰ আনুষ্ঠানিক আলোচনাৰ পাছত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী (খ) বিভাগৰ জাননী ( ৰাজ্যপালৰ হুকুম) নং এ বি পি. ৫/২০০১/৩৭ তাৰিখ ৩/৮/২০০১ মৰ্ম্মে মুখ্য সচিবক অধ্যক্ষ হিচাপে লৈ উচ্চস্তৰীয় কমিটিখন গঠন কৰে

OKDISCD

। এই উচ্চস্তৰীয় কমিটিখন গঠনৰ প্ৰসঙ্গ চৰ্ত্তত কোৱা হৈছে যে "কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ দৰমহাৰ লগত সামঞ্জস্য ৰাখি ৰাজ্যিক কৰ্মচাৰীৰ দৰমহা নিৰ্দ্ধাৰণ কৰাৰ বিষয়ত আৰু তাৰবাবে বিত্তীয় ব্যয়ৰ সন্দৰ্ভত কমিটিখনে পুঙ্খানুপুঙ্খভাবে বিচাৰ কৰিব আৰু সোনকালে প্ৰয়োজনীয় অনুমোদন দিব"।

উল্লেখযোগ্য যে এই উচ্চস্তৰীয় কমিটিখনৰ ফালৰ পৰা কেন্দ্ৰীয় কৰ্মচাৰীৰ লগত সামঞ্জস্য ৰাখি অসমৰ ৰাজ্যিক কৰ্মচাৰীৰ দৰমহা নিৰ্দ্ধাৰিন কৰি সম্পূৰ্ণ প্ৰস্তাব দাখিল কৰাৰ বাবে পৰিষদক অনুৰোধ জনাই এখন পত্ৰ দিয়া হয় আৰু তাৰ পৰিপ্ৰেক্ষিততে পৰিষদৰ কেন্দ্ৰীয় কমিটিৰ উদ্যোগত ৪/১১/২০০১ ইং তাৰিখে ৰাজ্যিক ভিত্তিত এখন বিশেষ অভিৱৰ্ত্তন পতা হয়। পৰিষদৰ সম্পাদক প্ৰধানৰ নেতৃত্বত গঠিত এখন কমিটিয়ে প্ৰস্তুত কৰি উলিওৱা দৰমহাৰ হাৰ সমূহৰ ওপৰত আলোচনা কৰা হয় আৰু অভিৱৰ্ত্তনৰ অনুমোদন ক্ৰমে সেইবোৰ উচ্চস্তৰীয় কমিটিৰ অধ্যক্ষৰ হাতত অৰ্পন কৰা হয়। তাৰ প্ৰতিলিপি মাননীয় মুখ্যমন্ত্ৰীকো দিয়া হয়। কিন্তু আজিকোপতি উচ্চস্তৰীয় কমিটিৰ প্ৰতিবেদন নোলাল। মন কৰিবলগীয়া কথা যে পৰিষদৰ পৰা কেন্দ্ৰীয় কৰ্মচাৰীৰ লগত সামঞ্জস্য ৰাখি অসমৰ ৰাজ্যিক কৰ্মচাৰীৰ দৰমহাৰ হাৰবোৰ নিৰ্দ্ধাৰণ কৰি উচ্চস্তৰীয় কমিটিৰ ওচৰত আৰু ৰাজ্য চৰকাৰৰ ওচৰতো দাখিল কৰাৰ পাছত চৰকাৰে পৰিষদক এৰাই চলাৰ আৰু আওঁকান কৰা তথা গুৰুত্ব নিদিয়াৰ কৌশলপূৰ্ণ স্থিতি এটা গ্ৰহণ কৰে। পৰিষদৰ লগত আলোচনা অনুষ্ঠিত কৰাৰ বাবে কেন্দ্ৰীয় কমিটিৰ ফালৰ পৰা দিয়া প্ৰস্তাৱ আবেদনবোৰ চৰকাৰৰ বাবে গুৰুত্বহীন হৈ পৰে। ৩০/০৬/০১ ইং তাৰিখৰ আলোচনাত চৰকাৰে দিয়া আশ্বাসবোৰ অকাৰ্য্যকৰী হৈ ৰল বিগত দুবছৰে। কৰ্মচাৰীৰ মাহিলি দৰমহা প্ৰতিমাহৰ শেষ কৰ্মদিনত আদায় দিয়াটো চৰকাৰৰ পক্ষে বিধিগত দায়বদ্ধতা । মাহৰ কোন তাৰিখত কৰ্মচাৰীয়ে দৰমহা পাব, পাবনে নাপাব-সেইটোও সম্প্ৰতি যেন অনিশ্চিত হৈ পৰিছে।

কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ লগত সামঞ্জস্য ৰাখি অসমৰ ৰাজ্যিক কৰ্মচাৰীৰ দৰমহা নিৰ্দ্ধাৰিন কৰি সদৌ অসম কৰ্মচাৰী পৰিষদৰ ফালৰ পৰা উচ্চস্তৰীয় কমিটিৰ ওচৰত দাখিল কৰা মতে দৰমহাৰ হাৰ চূড়ান্ত কৰিলে প্ৰতিমাহে গড় হিচাপত ৰাজ্যৰ ৰাজকোষৰ পৰা অতি বেচি ১৫ কোটি আৰু বছৰত ১৮০ কোটি টকাৰ অতিৰিক্ত ভৰনি হোৱাৰ সম্ভাৱনা আছে। সেই অতিৰিক্ত ব্যয়ৰ ধনখিনি সংগ্ৰহত ৰাজ্য চৰকাৰৰ

OKDISCD

যাতে বিশেষ অসুবিধা নহয় বা জনসাধাৰণৰ কৰ-কাটল বঢ়াই তিক্ততা দিয়াৰ প্ৰয়োজন নহয় সেই কথাটোৰ ওপৰত আমি গভীৰ মনোযোগ দিছিলো। সেয়ে ধনখিনিৰ সিংহ ভাগ কৰ্মচাৰী সকলৰ দৰমহাৰ পৰাই কৰ্ত্তন কৰি বৰ্দ্ধিত দৰমহাৰ বাবে প্ৰয়োজনীয় অতিৰিক্ত ব্যয়ৰ জোৰা-টাপলি মৰাৰ বাবে অৰ্থ্যাৎ আমাৰ পৰাই এহাতেৰে নি আনহাতে দি আমাকে দিয়াৰ পৰামৰ্শ এটা আমি ৰাজ্য চৰকাৰক দিছিলো।

১। মাহিলি সৰ্বমুঠ ১৫০০০/- টকা বা তাৰ ওপৰত দৰমহা পোৱা কৰ্মচাৰী বিষয়াৰ বিত্তী কৰ মাহে ১৮৫/- টকাৰ পৰা ৫০০/- টকালৈ বৃদ্ধি কৰা হওঁক।

২। কৰ্মচাৰীৰ পৰা মাহে কৰ্ত্তন কৰা গ্ৰুপ ইন্সিউৰেন্সৰ হাৰ নিম্নোক্ত ধৰনে বৃদ্ধি কৰা হওঁক।

**বৰ্ত্তমানৰ মাহে ১৫ /-টকাৰ ঠাইত মাহে ৩০/- টকালৈ**

**বৰ্ত্তমানৰ মাহে ৩০/- টকাৰ ঠাইত মাহে ৬০ /- টকালৈ**

**বৰ্ত্তমানৰ মাহে ৬০ /- টকাৰ ঠাইত মাহে ১২০ /- টকালৈ**

**বৰ্ত্তমানৰ মাহে ১২০ /- টকাৰ ঠাইত মাহে ২৪০ /- টকালৈ**

(৩) কৰ্মচাৰীৰ জি. পি. এফ লৈ মাহে কৰ্ত্তন কৰা ধনৰ পৰিমান বৰ্ত্তমানৰ ৬.২৫ শতাংশৰ পৰা ১০ শতাংশলৈ বৃদ্ধি কৰা হওঁক।

এইখিনিতে উল্লেখযোগ্য যে গ্ৰুপ ইন্সিউৰেঞ্চ আৰু জি. পি. এফ লৈ চৰকাৰে কৰ্ত্তন কৰি ৰখা টকা সংশ্লিষ্ট কৰ্মচাৰী বিষয়াক অৱসৰৰ সময়ত ঘূৰাই দিব লাগিব, কিন্তু বছৰ বছৰ ধৰি সেই টকা চৰকাৰে ব্যৱহাৰ কৰি আহিছে আৰু ব্যৱহাৰ কৰিও থাকিব।

(৪) বিষয়া সকলক বাতৰি কাকত যোগান, লঘু জলপান আদি যোগানৰ ব্যৱস্থা বাতিল কৰক। ২৫০০ বা ৩০০০ /- টকা মাহে দৰমহা পোৱা চতুৰ্থ শ্ৰেণী কৰ্মচাৰী এজনেও যদি দুপৰীয়া বা অন্য সময়তো নিজৰ দৰমহাৰ ধনেৰে চাহ কাপ বা লগত কিছু খাদ্য সামগ্ৰী খাই চাকৰি কৰিব পাৰে অন্য কাৰোবাৰ বাবে চৰকাৰী খৰচত লঘু জলপান, চাহ-মিঠাই যোগান ধৰিব লগাৰ প্ৰয়োজন কত ?

(৫) মন্ত্ৰী আৰু আই. এ. এচ বিষয়াৰ বাবে কাৰ্য্যালয়লৈ যাতায়তী কৰাৰ বাবদ চৰকাৰে যোগান ধৰা মাহিলি ২০০ লিটাৰ প্ৰেট্ৰলৰ পৰিবৰ্তে মন্ত্ৰীৰ বাবে মাহে ১০০ লিটাৰ আৰু বিষয়া সকলৰ বাবে মাহে ৬০ লিটাৰৰ পৰিবৰ্তে ৪০ লিটাৰলৈ হ্ৰাস কৰক।

(৬) বিনামূলীয়া টেলিফোন ক'ল, মন্ত্ৰীৰ সৰ্বভাৰতীয় ভ্ৰমণ, বিষয়া সকলৰ সঘন দিল্লী ভ্ৰমণ আদি একেবাৰে সীমিত কৰা হওঁক। এৰাব নোৱাৰা কাৰণত মুখ্যমন্ত্ৰীৰ বা কেবিনেট কমিটিৰ আগতীয়া অনুমোদন ক্ৰমেহে তেনে ভ্ৰমণৰ ব্যৱস্থা ৰখা হওঁক।

আমাৰ প্ৰাথমিক হিচাপ মতে এইখিনি পৰামৰ্শ কাৰ্য্যকৰী কৰিলেই ৰাজ্য চৰকাৰে মাহে অতিৰিক্ত প্ৰায় ৫০ কোটি টকা সংগৃহীত কৰিব পাৰিব আৰু তাৰ পৰা কৰ্মচাৰীৰ অতিৰিক্ত ভৰণি মাহে ১৫ কোটি টকাৰ দায়বদ্ধতা লৈও অতিৰিক্ত প্ৰায় ৩৫ কোটি টকা ৰাজ্যখনৰ উন্নয়নৰ কামত ব্যয় কৰিব পৰাৰ সম্ভাৱনাৰ কথা আমি কৈছিলো। আমাৰ এই আনুমানিক হিচাব শুদ্ধ নে অশুদ্ধ সেইবোৰ চৰকাৰে পৰীক্ষা কৰি আমাৰ লগত সৌহাৰ্দপূৰ্ণ আলোচনাৰে বিষয়বোৰ মীমাংসা কৰাৰ অপৰিহাৰ্য্যতা ৰাজ্য চৰকাৰে অনুভৱ কৰিব বুলি আমি পোষণ কৰা প্ৰত্যয়ক চৰকাৰে গুৰুত্ব নিদিয়াত আমি ব্যথিত।

আমি অধিক ব্যথিত হৈছো যে আমাৰ ওপৰোক্ত পৰামৰ্শ কেইটামান সামান্য ধৰণৰ সলনিৰে সাধাৰণ ভাৱে কাৰ্য্যকৰী কৰা হৈছে। কিন্তু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি মুখ্য সচিবলৈকে মাহিলি বৃত্তিকৰ বঢ়োৱা হৈছে। মুখ্য সচিব তথা উচচতৰ পৰ্য্যায়ৰ বিষয়াৰ বাবেও মাহিলি বৃত্তি কৰ ২০৫/- টকা কৰা হৈছে আৰু এজন জেষ্ঠতম্ উচচ বৰ্গ সহায়ক বা বিদ্যালয়ৰ জেষ্ঠ শিক্ষকৰ বাবেও বৃত্তি কৰ একে সমান কৰা হৈছে। অথচ আমাৰ প্ৰস্তাৱ আছিল মাহিলি ১৫০০০/- টকা বা তাৰ বেছি দৰমহা পোৱা সকলৰ বাবেহে বৃত্তিকৰ বৃদ্ধি কৰণৰ। তাৰ বাবে বিষয়া কৰ্মচাৰী সকলৰো আপত্তিৰ কাৰণ নাথাকে, যিহেতু তেখেত সকলৰ আয়কৰৰ অংকটো কিছু কমি যায়। প্ৰয়োজনবোধে এই সম্পৰ্কীয় বিধিগত ব্যৱস্থা সংশোধন কৰাৰ বিষয়েও চৰকাৰে বিচাৰ বিবেচনা কৰাত আপত্তি থাকিব নালাগে।

**মাননীয় ভদ্ৰমণ্ডলী ঃ**

পাৰস্পাৰিক বুজা-পৰা আৰু সদিচ্ছা, যি কোনো সমস্যা সমাধানৰ মূল ভেটি। এই জীয়া বাস্তৱক অস্বীকাৰ কৰি আমি কোনেও কোনো সমস্যাৰ মূল বুজিব নোৱাৰো। সদৌ অসম কৰ্মচাৰী পৰিষদে এই তত্বক গুৰুত্ব দি আহিছে বিগত প্ৰায় ২৪ বছৰে অৰ্থাৎ ১৯৭৯ চনত পৰিষদ গঠনৰ সময়ৰ পৰাই। কোন দলৰ বা কোন ব্যক্তিৰে চৰকাৰ গঠিত হয় বা হব, তাৰ লগত পৰিষদ সম্পৰ্কিত নহয়। জনসাধাৰণৰ ৰায় লৈ গঠিত হোৱা চৰকাৰৰ লগত পূৰ্ণ সহযোগ কৰাটো পৰিষদৰ মজ্জাগত নীতি। কিন্তু সহযোগ

একপক্ষীয় হলে তাৰ পৰা শুভফল দুস্প্ৰাপ্য হব পাৰে। বৰ্ত্তমানৰ চৰকাৰখনে ক্বাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাচত সদৌ অসম কৰ্মচাৰী পৰিষদ তথা অসমৰ শিক্ষক,কৰ্মচাৰী সকলে চৰকাৰ খনৰ প্ৰতি সমৰ্থন আৰু সহযোগিতা আগবঢ়োৱা কথাটো অনস্বীকাৰ্য্য। কিন্তু সেই অনুপাতে চৰকাৰ খনৰ পৰা কৰ্মচাৰী সমাজখনে যি ধৰনৰ সহৃদয়তা বা সদিচ্ছা কামনা কৰিছিল সেই ধৰণে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰাটো পৰিষদৰ পৰিলক্ষিত হোৱা নাই। আমি আশা কৰো চৰকাৰৰ সদিচ্ছা আৰু সহৃদয়তাই আগত দিনবোৰত কৰ্মচাৰী সকলৰ মনত কৰ্মঅনুপ্ৰেৰণা আৰু উদ্দীপনাৰ ইন্ধন যোগাব।

ৰাজ্যখনৰ কৰ্মচাৰীৰ দৰমহাকে ধৰি অন্যান্য খৰচতে ৰাজভৰাল উদং হোৱাৰ অভিযোগ চৰকাৰে কৰি আহিছে। বিগত প্ৰায় ১০ বছৰে অসমৰ দুই এক বুদ্ধিজীৱি তথা অৰ্থনীতি বিশেষজ্ঞই অনুৰূপ মন্তব্য প্ৰকাশ কৰি আহিছে। প্ৰচাৰ মাধ্যম যোগে কাজেই জনমানসত এনে এটা মনস্তাত্বিকতাৰে সৃষ্টি কৰা হৈছে যেন ৰাজ্যখনৰ বিত্তীয় সংকট হোৱাৰ মূল কাৰণটোৱেই কৰ্মচাৰীৰ বাবে ব্যয় কৰিব লগা হোৱা ধনৰ ডাঙিব নোৱাৰা বোজা। "এই কৰ্মচাৰী সকলৰ দা-দৰমহাতে ৰাজকোষৰ ধনবোৰ ব্যয় হোৱাৰ ফলত ৰাইজৰ উন্নয়নত বাধা জন্মিছে। চৰকাৰে হাজাৰ-বিজাৰ কোটি টকা ধাৰ-ধুপাৰ কৰিহে দেশখন চলাব লগতা পৰিছে"। পূৰ্বৰ শ্ৰীমহন্ত চৰকাৰে আৰম্ভ কৰা এনেজাতীয় বক্তব্যৰে ৰাইজক বিভ্ৰান্ত কৰা প্ৰক্ৰিয়া এতিয়ালৈ অব্যাহত থকাটো সৰ্বজন জ্ঞাত। আমি আজিৰ এই মুকলি অধিবেশনতো মুক্ত চিত্তে আৰু দৃঢ়তাৰে কব খোজো যে ৰাজ্যখনৰ বিত্তীয় সংকট সৃষ্টিৰ কাৰণ কৰ্মচাৰীৰ দৰমহাৰ অংকটো নহয়। ৰাজ্যখনত বিত্তীয় সংকট হোৱাৰ মূল কাৰণ আমি সঠিক ভাবে চিনাক্ত কৰাৰ প্ৰয়োজন। সেইবোৰ সমুচিত বিন্যাসেৰে সংশোধনীৰ পথ উদ্ভাৱন নকৰিলে অসমৰ উন্নয়ন বাঞ্চিত গতিৰে আগ বঢ়াব পৰাটো সম্ভৱ নহয়। পাব্লিক একাউন্টচ কমিটিয়ে তেখেত সকলৰ প্ৰতিবেদনত কৈছে যে বিগত ১৮ বছৰত অসম ৰাজ্যৰ ৰাজকোষৰ পৰা প্ৰায় ২২ হাজাৰ কোটি টকাৰ অপচয় কৰা হৈছে। আমাৰ প্ৰশাসনীয় ভাষাত আত্মসাৎ বা লুণ্ঠন শব্দ লিখা নহয়। কোনোবাই চৰকাৰৰ পা-পইচা খালেও তাক ইংৰাজীতে মিচ এপ্ৰোপ্ৰিয়েচন শব্দটো (অপব্যয় বা অপচয় কৰা বুলি) লিখে। গতিকে পাব্লিক একাউন্টচ কমিটিয়ে ইংৰাজীতে লিখা মিচ এপ্ৰোপ্ৰিয়েচন শব্দটোৰ সৌজন্যমূলক অসমীয়া শব্দটো অপচয় বুলি কলেও এই অপচয়ৰে আন এটা নাম লুণ্ঠন বা আত্মস্যাৎ। বিগত ১৮ টা বছৰত

এই ২২ হাজাৰ কোটি টকাৰ অপচয় বা আত্মস্যাৎ নহলে ২২ হজাৰ কোটি টকা যদি ৰাজ্য খনৰ ৰাস্তা-ঘাট, দলং, বিদ্যালয়, মহাবিদ্যালয়ৰ উন্নয়ন আৰু নিবনুৱাৰ আত্মসংস্থানৰ বাবে কিবা-কিবি প্ৰজেক্টৰ কামত ব্যয় কৰিব পৰা হ'লহেতেন তেনেহলে ৰাজ্যখনৰ আৰ্থিক বা উন্নয়নৰ ছবিখন আজিৰ দৰে হবলৈ পোৱাৰ অবকাশ থাকিলহেতেন নে ? ৰাজ্যখনৰ বাবে ৰাজকোষ লুণ্ঠন সাম্প্ৰতিক সময়ত এক অভিশপ্ত ব্যাধি। প্ৰথমেই এই ব্যাধিৰ ভাল চিকিৎসা নহলে অসমৰ উন্নতি , প্ৰগতিয়ে ৰোগ শয্যাৰ পৰা উঠিব পৰাৰ সম্ভাৱনা অবাস্তব হবলৈ বাধ্য। সদৌ অমম কৰ্মচাৰী পৰিষদৰ ফালৰ পৰা মাননীয় মুখ্য সচিব আৰু মাননীয় মুখ্যমন্ত্ৰীৰ ওচৰত প্ৰস্তাৱ দাখিল কৰি দাবী জনোৱা হৈছিল যে ৰাজকোষ লুণ্ঠনৰ সমুচিত অনুসন্ধানেৰে আত্মাসাৎকাৰী সকলক চিনাক্ত কৰি কঠোৰ শাস্তি বিহাৰ লগতে ধনবোৰ পুনৰ উদ্ধাৰৰ বাবে ন্যায়িক তদন্ত দিব লাগে। কিন্তু ন্যায়িক তদন্ত বা চি.বি.আইৰ তদন্ত দিয়াৰ পৰিবৰ্ত্তে অপচয় তথা আত্মাসাৎ হোৱা ধনবোৰ বিধান সভাত নিয়মীয়া কৰাৰ ঘটনাই দুৰ্নীতিত লিপ্ত সকলক অধিক দুৰ্নীতিত নিমজ্জিত হবলৈ উৎসাহ যোগাইছে।

একেদৰে পৰিকল্পনাৰ ধনৰ ব্যৱহাৰ সমূচিত আৰু সময়োচিত ভাবে কৰিব নোৱাৰাটোও ৰাজ্যখনৰ বিত্তীয় সংকটত অন্য এটা মৌলিক কাৰণ হিচাপে পৰিগণিত হৈছে। প্ৰাপ্ত পৰিকল্পনাৰ ধনৰ বিপৰীতে ক'ত,কেনেকৈ আৰু কি কামত কেনেদৰে ধনবোৰ ব্যয় কৰা হল তাৰ শ্বেতপত্ৰ প্ৰকাশ কৰাৰ বাবে দাবী জনাই পৰিষদৰ ফালৰ পৰা মাননীয় মুখ্য সচিব আৰু মাননীয় মুখ্যমন্ত্ৰীৰ ওচৰত ইতিপূৰ্বে প্ৰস্তাৱ দাখিল কৰা হৈছে যদিও আমাৰ প্ৰস্তাৱ কাৰ্য্যকৰী কৰণৰ বাবে চৰকাৰৰ আগ্ৰহ পৰিলক্ষিত নহল।

তৃতীয়তে আমাৰ বোধে ৰে ৰাজ্যখনৰ বিত্তীয় সংকটত অন্যতম প্ৰধান কাৰণ হৈছে ঋণৰ বোজা । ব্যক্তিগত খণ্ডকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰে লোৱা ঋণৰ পৰিমাণ প্ৰায় ১২০০০ হাজাৰ কোটি টকা হোৱা বুলি চৰকাৰী ভাৱে প্ৰকাশ কৰা হৈছে। ধাৰৰ টকা আৰু পৰিকল্পনাৰ টকা অপচয় বা আত্মসাৎ কৰিব পৰাৰ সুযোগ একেবাৰে সহজলভ্য হয় । আমি এটা কথা ভাবি বৰ আচৰিত হওঁ যে এই ঋণৰ বোজাৰ পৰা অসমখন কেতিয়া আৰু কেনেকৈ মুক্ত হব পাৰিব ? পৰিকল্পনাৰ ধন আহিব , ঋণৰ ধন অনা হব। তাত বুজন অংশ অপচয় বা আত্মাসাৎ হব। ধাৰবোৰ ক'ৰ পৰা পোৱা ধনেৰে সুজিব ? ধাৰ কৰিয়েই থাকিব অপচয়, আত্মাসাৎ হৈয়েই থাকিব। ইয়াৰ

শেষ কত ? ৰাজ্যখনত ১৭ লক্ষ নিবনুৱা থকা বুলি চৰকাৰীভাৱেই কোৱা হয়। এই ধাৰ কৰা ধনবোৰেৰে নিবনুৱা সকলৰ কেইলাখ মানৰ বাবেও আত্মসংস্থাপনৰ, জীৱিকা নিৰ্বাহৰ প্ৰজেক্ট বা পৰিকল্পনা লোৱা হলনে ? কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সংস্কাৰৰ আগ্ৰাহতে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত অৰ্থনৈতিক বুজা-বুজিৰ চুক্তি কৰিছে। অগপ চৰকাৰৰ সময়ত ৰাজ্য চৰকাৰে কৰা চুক্তিৰ পাছত বিগত বছৰ কেইটাত চুক্তিৰ বিনিময়ত কেন্দ্ৰীয় চৰকাৰে অসমক কি বিশেষ সুবিধা দিলে? দশম বিত্ত আয়োগৰ অনুমোদনৰ ভিত্তিত পাব লগা ধন বুলিও পালে মাত্ৰ ১১০ কোটি টকা। কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰলৈ মঞ্জুৰীৰ ধন বিশেষভাৱে বঢ়ালে নেকি? এইবোৰ প্ৰশ্ন সকলোৰে বাবে সাথৰ যেন লাগিব। অসমে ন্যায্যভাবে পাব লগাখিনিও যথাবিহিত ভাবে আদায় দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে আজি পৰ্য্যন্ত উদাৰতাৰ মনোভাব প্ৰকট কৰা নাই। তেনেহলে এইবোৰ বুজা-বুজিৰ চুক্তিৰ মহত্ব কত? কেইটামান টকা ধাৰে দিব ,সূত লব অৰ্থ্যাৎ প্ৰৰ্য্যেক্ষভাবে কেন্দ্ৰীয় চৰকাৰেখনে নিজৰে দেশৰ প্ৰাদেশীক চৰকাৰৰ লগত এটা মুনাফা লাভ ভিত্তিক নীতিৰে ৰাজ্য বোৰৰ স্বকীয় সত্বাত হস্তক্ষেপ কৰি কৰতলীয়া ৰাজ্যৰ শাৰিলৈ অৱনমিত কৰিব। আমি ভাবো এনেদৰে ধাৰ দিয়াৰ আৰু লোৱাৰ ব্যৱস্থা অব্যাহত থাকিলে ধাৰ লোৱা ৰাজ্যই কোনো দিনেই আৰ্থ - সামাজিক স্বকীয় বৈশিষ্ট্যৰ মৰ্য্যদা অক্ষুন্ন ৰাখিবলৈ সক্ষম নহব। ৰাজ্যবোৰৰ প্ৰশাসনীয় কৰ্ত্তত্বৰ ওপৰত হস্তক্ষেপৰ ৰাজনীতিৰে প্ৰশাসনীয় ব্যৱস্থাত জড় তাৰ সৃষ্টি কৰিব , যাৰ ফলত কৰ্মচাৰী আৰু নিৰীহ জনগনৰ জীৱন নিৰ্বাহ বিপদাপন্ন হোৱাৰ বাবে পথ প্ৰশস্ত কৰিব।

এনে এক সাম্ভাব্য প্ৰতিকূল পৰিস্থিতিৰ উমান অনুভৱ কৰিয়েই আমি কেন্দ্ৰীয় চৰকাৰৰ লগত অসম চৰকাৰৰ বুজা-বুজিৰ চুক্তিৰ বিৰোধীতা কৰি আহিছো। আগৰ চৰকাৰে প্ৰথমতে কেন্দ্ৰীয় চৰকাৰৰ লগত সম্পাদিত কৰা বুজা-বুজিৰ চুক্তিৰ বিৰোধীতা কৰি তেতিয়াৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰ্ত্তমানৰ মাননীয় মুখ্যমন্ত্ৰীয়ে কৰ্মচাৰী, ৰাইজৰ পক্ষকে অনুপ্ৰেৰণা যোগোৱাৰ কথা সকলোৰে বিদিত। কিন্তু তেখেতৰ চৰকাৰেই এতিয়া পুনৰ কেন্দ্ৰীয় চৰকাৰৰ লগত অনুৰূপ বুজা-বুজিৰ চুক্তি সম্পাদন কৰাৰ বাবে সিদ্ধান্ত লোৱাৰ সংবাদে সকলোকে নিৰাশ কৰাটো পৰিলক্ষিত হৈছে। আমি আমাৰ মত পুনৰ ব্যক্ত কৰি কব খোজো যে কেন্দ্ৰীয় চৰকাৰৰ লগত অসম চৰকাৰে তেনে



OKDISCD

এখন বুজা-বুজিৰ চুক্তি কৰাৰ বিষয়টো ৰাজ্যখনৰ অনুকুলে নহয়,সেয়ে ইয়াক প্ৰত্যাহাৰ কৰাটো সমিচিন। আমাৰ ৰাজ্যখনে স্ব-সম্পদ ভিত্তিক অৰ্থনৈতিক বুনিয়াদ সৃষ্টিৰ পৰিকল্পনাৰে তথা ৰাজ্যখনৰ কৰ ৰাজহ আৰু অনাকৰ ৰাজহৰ ওপৰত স্বকীয় অৰ্থনৈতিক ভেটি প্ৰতিষ্ঠাৰ সু-সংহত পৰিকল্পনাৰে বাস্তব আঁচনি গ্ৰহণৰ ওপৰত আমাৰ চৰকাৰে সৰ্বাধিক গুৰুত্ব দিয়াটো সমিচিন বুলি আমি মত পোষন কৰিছো। আনহাতে "ৰাজ্যখনৰ উন্নয়ন" মানে আমি কাৰ বা কি ধৰণৰ উন্নয়নক উন্নয়ন বুলি গণ্য কৰিব লাগিব তাৰ এটা বিজ্ঞানসন্মত বাখ্যা তথা সিদ্ধান্ত সম্পৰ্কে আমি সকলোৱে এটা উমৈহতীয়া ( Common ) দৃষ্টিভঙ্গি গ্ৰহণ কৰিব পৰাৰ বিষয়ত গুৰুত্ব আৰোপিত হব লাগে। ৰাজ্যৰ উন্নয়ন মানে ৰাস্তা ঘাট বনোৱাটো বা চৰকাৰী অট্টালিকা কেইটামান নিৰ্ম্মান কৰাটোৱেই নহয়। যিখন ৰাজ্যৰ ১৭ লক্ষ নিবনুৱা , কাৰ্মসংস্থানৰ সুযোগৰ অভাবত চূড়ান্ত হতাশাৰ জৰ্জৰিত ,যিখন দেশত মুঠ জনসংখ্যাৰ এক বুজন অংশই দুবেলা দুমুঠি ভাত , লজ্জা নিবাৰনৰ বাবে এটুকুৰা বস্ত্ৰ আৰু নিশাৰ আশ্ৰয়ৰ বাবে এটা ঘৰৰ অভাবত ভুগে , তেনে এখন ৰাজ্যত ৰাস্তা ঘাট সোণেৰে বন্ধালেও তাক উন্নয়ন বুলিব পৰাৰ যুক্তি অবান্তৰ । সেয়ে ৰাজ্যখনৰ নিবনুৱা সকলৰ সংস্থান আৰু নিৰীহ ৰাইজৰ অন্ন -বস্ত্ৰৰ সমস্যাৰ স্থায়ী সমাধানক অগ্ৰাধিকাৰ ভিত্তিত সফলকাম পৰিক্ৰমাৰে আগ বঢ়াই নিয়াকহে আচল অৰ্থত উন্নয়নৰ সোপান বুলি গন্য কৰাৰ থল থাকিব বুলি আমি পৰিষদে বিশ্বাস কৰিছো। সেয়ে চৰকাৰী কাৰ্য্যালয়ৰ পদ অবলুপ্তিৰ নীতি পৰিহাৰ কৰিবলৈ আৰু নিযুক্তি খুলি দি খালি পদবোৰ পূৰণ কৰাৰ ব্যৱস্থা কৰিবলৈ আমি দাবী জনাই আহিছোঁ। যিহেতু চৰকাৰী পদত নিযুক্তিৰে নিবনুৱাৰ সমস্যা সমাধান সম্ভৱ নহয় সেয়ে নিবনুৱা যুৱক-যুৱতী সকলৰ আত্মসংস্থানৰ বাবে সু-পৰিকল্পিত উৎপাদন মুখী প্ৰজেক্ট তথা আঁচনি গ্ৰহণৰ বিষয়টোক অগ্ৰাধিকাৰ দিয়াত গুৰুত্ব আৰোপ কৰাটো আমি মনে প্ৰাণে কামনা কৰিছো। ৰাজ্য চৰকাৰৰ লগতে দুই এক বুদ্ধিজীৱিও প্ৰায়ে প্ৰচাৰ মাধ্যম যোগে কয় যে "ৰাজ্যখনৰ ২ কোটি ৬৬ লাখ মানুহৰ ভিতৰত মাত্ৰ ৪.৫ লাখ কৰ্মচাৰীৰ কথা ভাবিলেই নহয়। কৰ্মচাৰীক অধিক সুবিধা দিয়াৰ বিষয়টোত গুৰুত্ব দিয়াৰ পৰিবৰ্ত্তে চৰকাৰে উন্নয়নৰ কথাতহে জোৰ দিব লাগে। কৰ্মচাৰীৰ অৱসৰৰ বয়স বৃদ্ধি কৰিলে শিক্ষিত নিবনুৱাৰ অসুবিধা হব। সেই কথাটোও চৰকাৰে ভাবিব লাগে"। ইত্যাদি মন্তব্য । এই সংক্ৰান্তত আমি এটা কথা কোৱাটো সমীচিন হব যে

কৰ্মচাৰীৰ দৰমহাৰ ধন কেইটা কেৱল কৰ্মচাৰীৰ পেট প্ৰবৰ্ত্তনৰ সমল নহয়। একোজন কৰ্মচাৰীৰ দৰমহাৰ টকাখিনিৰ ওপৰত নিৰ্ভৰশীল একোখন ৪/৫ জনীয়া পৰিয়াল তাৰ উপৰি গাওঁ নগৰ চহৰত তামোল –পান বেপাৰী আদিৰ পৰা আৰম্ভ কৰি সৰু ডাঙৰ দোকান পোহাৰীৰ জীৱিকা নিৰ্বাহৰো প্ৰধান অৱলম্বন কৰ্মচাৰী আৰু শিক্ষক সকলৰ দৰমহাৰ ধনখিনি ।২/৩ মাহ মানৰ বাবে দৰমহা বন্ধ হলে নিম্ন – মধ্য বিত্ত সেই সকল লোকৰো জীৱন নিৰ্বাহ স্তব্ধ হৈ পৰিব। দেশখনৰ সৰ্বত্ৰ ভোকৰ অগনি জ্বলিব। কৰ্মচাৰীৰ ক্ৰয় শক্তি হ্ৰাস পোৱাৰ অন্য এক ফলশ্ৰুতি ৰাজ্যৰ তথা দেশৰ অৰ্থনৈতিক পশ্চ্যাৎগামীতাহে। এনে পৰিস্থিতিয়ে উন্নতিৰ সাক্ষ্যদান নকৰে । আন এটা জীয়া সত্যক আমি অস্বীকাৰ কৰিলে নহয়। সেইটো হল যে ৰাজ্যখনৰ প্ৰতি গৰাকী কৰ্মচাৰী শিক্ষক বিষয়াৰ পৰিয়ালত গড় হিচাপত কমেও ২.৫ জনকৈ শিক্ষিত নিবনুৱা আছে। তেওঁলোক সংশ্লিষ্ট কৰ্মচাৰী শিক্ষক তথা বিষয়াজনৰ ভাতৃ, ভগ্নী বা নিজৰে লৰা-ছোৱালী। সেই হিচাপত ৰাজ্যখনৰ প্ৰায় ৪.৫ লক্ষ কৰ্মচাৰী শিক্ষক বিষয়াই প্ৰায় ১১.২৫ লক্ষ নিবনুৱাক পোহ পাল দি জীয়াই ৰাখিছে, সাধ্যানুযায়ী শিক্ষা দীক্ষা দিয়াইছে। নিবনুৱা সকল কাৰ ভ্ৰাতৃ –ভগ্নী, পত্নী বা পুত্ৰ কন্যা সেইটো বিচাৰ্য্য নহয়। কিন্তু তেওঁলোকৰ পৰিচয় হৈছে এখন সাৰ্ব্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰৰ তেওঁলোক নাগৰিক। নাগৰিকক জীয়াই থাকিবলৈ সুযোগ দিয়াৰ অপৰিহাৰ্য্য দায়িত্ব ৰাষ্ট্ৰৰ ।গতিকে কৰ্মচাৰীৰ দৰমহাৰ ধন খিনিৰে সংশ্লিষ্ট কৰ্মচাৰী শিক্ষক বিষয়াই ৰাষ্ট্ৰীয় দায়ীত্বও পালন কৰিছে। নিযুক্তি বন্ধ , চাকৰি কৰি থকা লোকজনে অৱসৰ লৈ ঘূৰি যোৱাৰ মূহুৰ্ত্তৰ পৰাই আৰু এজন নিবনুৱাৰ সংখ্যা বাঢ়িল,পৰিয়ালখন উপাৰ্জনহীন হ'ল। পেঞ্চনৰ ধনেৰে ঘৰখনৰ নিবনুৱা চাকৰি বিহীন লৰা ছোৱালীৰ পেট প্ৰৱৰ্ত্তন নহয়। বিবাহ বাৰুৰ কথাও সংকটপূৰ্ণ হয়। এনেকুৱা স্থিতি ৰাজ্যখনত আৰু ১০ বছৰ অব্যাহত থাকিলে কি হব বাৰু? ভাবিবলৈকো আমাৰ বৰ ভয় লাগে। সেয়ে কৈছো সংগীন সময়ৰ বিপৰ্য্যাস্ত পৰিস্থিতিয়ে আমাক গ্ৰাস কৰিব ধৰাৰ কথা অস্বীকাৰ কৰি আমি কোনোৱে কাৰো উপকাৰ সাধন কৰিব নোৱাৰো। সেয়ে কৰ্মচাৰী শিক্ষকৰ চাকৰিৰ পৰা অৱসৰৰ বয়স দুবছৰ বৃদ্ধি কৰি সাময়িক পৰিস্থিতত কৰ্মচাৰী সমাজখনৰ লগতে তেখেত সকলৰ দৰমহাৰ ধনখিনিৰ ওপৰতহে নিৰ্ভৰশীল লোক সকলক সকাহ দিয়াৰ ব্যৱস্থা কৰিবলৈ আমি ৰাজ্য চৰকাৰক পুনৰ আহবান জনালো।

**শ্ৰদ্ধাৰ ৰাইজ ঃ**

ৰাজ্যখনৰ অৰ্থনৈতিক আহুকলীয়া পৰিস্থিতৰ কাৰণৰ ভিতৰত পৰিছে, বিদেশীৰ অনুপ্ৰৱেশৰ সমস্যা আৰু আলফাকে ধৰি বিভিন্ন বিদ্ৰোহী সংগঠনৰ সমস্যা। অসমলৈ বাংলাদেশী অনুপ্ৰৱেশৰ কথাটো সকলোৱে জ্ঞাত। বিদেশী চিনাক্ত কৰণৰ প্ৰহসনেৰে কোটি কোটি টকা ব্যয় কৰি থকা হৈছে, কিন্তু বিদেশী বহিস্কাৰ কৰিব পৰাৰপথ মুকলি হোৱা নাই , অনুপ্ৰবেশ বন্ধও হোৱা নাই। আই. এম. ডি. টি. আইন বাতিল কৰণৰ সপক্ষে আৰু বিপক্ষে অব্যাহত থকা বিতৰ্কৰ মাধ্যমেৰে ৰাজনৈতিক লাভা লাভৰ অংকৰ হিচাপক গুৰুত্ব দিয়াটো পৰিলক্ষিত হৈছে। আন্তৰিকতা কিন্তু কোনোটো পক্ষতে প্ৰতিয়মান হোৱা নাই। যুগ-যুগ ধৰি এই বিতৰ্ক অব্যাহত ৰাখি ৰাজনৈতিক লাভা-লাভৰ হিচাপত ব্যস্ত হৈ থাকোতেই আৰু মাত্ৰ কেইটামান বছৰৰ পাছতেই অসম বিধান সভা, জনতা ভৱনত মুখ্যমন্ত্ৰী, মন্ত্ৰী আৰু বিধায়কৰ আসনবোৰ বিদেশী লোকে দখল কৰিব। এই নিষ্ঠুৰ সত্যক আমাৰ চৰকাৰে উপলব্ধি কৰি বিদেশীৰ অঘোষিত আক্ৰমনৰ পৰা ৰাজখনক ৰক্ষা কৰাৰ সমুচিত পদক্ষেপ লোৱাৰ বাবে পৰিষদৰ পৰা পুনৰ ৰাজ্য চৰকাৰক আহ্বান জনালোঁ।

১৯৮৬-৮৭ চনৰ পৰা ২০০০-২০০১ বৰ্ষৰ ভিতৰত (১৫ বছৰত) উগ্ৰপন্থী বিৰোধী অভিযানত আৰু আইন শৃংখলা ৰক্ষাৰ নামত গড় হিচাবত প্ৰতি বছৰে ৰাজকোষৰ পৰা ৩৩৮.১৫ কোটি টকাৰ ব্যয় কৰিব লগা হোৱাৰ কথা এক চৰকাৰী হিচাবত কোৱা হৈছিল। প্ৰতি বছৰে এই ক্ষেত্ৰত ব্যয় বৃদ্ধিৰ অংকৰ পৰিমান বিপদজনক ভাবে বাঢ়িব ধৰিছে। উদাহৰণ স্বৰূপে উগ্ৰপন্থী বিৰোধী অভিযান আৰু আইন শৃংখলা ৰক্ষাৰ বাবে ১৯৮৬-৮৭ চনত মুঠ ব্যয়ৰ পৰিমান ৯০ কোটি বুলি কোৱা হৈছিল। তাৰ পাছত ১৯৮৭-৮৮, বৰ্ষত ১১০.২২ কোটি, ১৯৮৮-৮৯ চনত ১১৬.৭১ কোটি, ১৯৮৯-৯০ বৰ্ষত ১৩১.১১ কোটি, ১৯৯০-৯১ ত ১৭০.৯৮ কোটি ১৯৯১-৯২ বৰ্ষত ২০৮.৫০ কোটি, ১৯৯২-৯৩ ত ২০২.০৭ কোটি, ১৯৯৩-৯৪ চনত ২৪১..৪১ কোটি, ১৯৯৪-৯৫ চনত ২৬৫.৭১ কোটি, ১৯৯৫-৯৬ বৰ্ষৰ ৩২১.০৩ কোটি, ১৯৯৬-৯৭ চনত ১৩১.১২ কোটি, ১৯৯৭-৯৮ বৰ্ষৰ ৪০২.৯৫ কোটি, ১৯৯৮-৯৯ চনত ৪৭১.৫২ কোটি, ১৯৯৯-২০০০ বৰ্ষত ৫৮৬.৬৫ কোটি আৰু ২০০০-২০০১ বিত্তীয় বৰ্ষত ৬৪৪.২৪ কোটি টকাৰ ব্যয় হোৱা বুলি হিচাব দিয়া হৈছিল। তাৰ বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ পৰা সেই

OKDISCD

সময়লৈকে প্ৰথমে ৩১০.৭৭ কোটি আৰু পাছত ৪০ কোটি অৰ্থাৎ সৰ্বমুঠ ৩৫০.৭৭ কোটি টকাহে পোৱাৰ হিচাব ডাঙি ধৰা হৈছিল। গতিকে আমি এই প্ৰতিবেদনৰ আগভাগতে উল্লেখ কৰাৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ লগত অসম চৰকাৰৰ বুজা-বুজিৰ চুক্তিখনৰ গুৰুত্ব অসমৰ বাবে যে প্ৰশ্নবোধক সেইটো এই কথাটোৱে অধিক স্পষ্ট কৰিছে বুলি আমি উপলব্ধি কৰিছো। কেন্দ্ৰীয় চৰকাৰে কি কৰে বা কৰিব সেইটো বিষয়ৰ ব্যাখ্যা ইয়াত ডাঙি ধৰাৰ পৰিৱৰ্ত্তে আমি কব খোজো যে আলফাকে ধৰি ৰাজ্যখনৰ উগ্ৰপন্থী সমস্যাৰ কিবা এটা সু-মীমাংসা কৰিব পাৰিলে ৰাজ্যৰ ৰাজকোষৰ পৰা হেজাৰ-বিজাৰ কোটি টকা ওলাই যোৱাৰ পথ বন্ধ হব। ৰাজ্যৰ অৰ্থনৈতিক ক্ষেত্ৰখন সমৃদ্ধ হোৱাত ই ব্যাপক বৰঙণি যোগাব। সেয়ে অসমৰ জনসাধাৰণে বিচৰাৰ দৰে আমিও বিচাৰিছোঁ এই বিদ্ৰোহী সমস্যাটোৰ আশু সমাধান হব লাগে। কৰ্মচাৰীৰ দৰমহাতে ৰাজকোষ উদং হোৱা বুলি কৈ সন্তুষ্টি লাভ কৰাৰ বা ৰাইজৰ সহানুভূতি প্ৰাপ্তিৰ ধাৰণা বাদ দি এনেবোৰ সমস্যাত অহেতুক ব্যয় হোৱা ধনবোৰ ৰক্ষা কৰিব লাগে। সৈন্য সামন্তৰে অসমৰ যুব শক্তি বিনাশৰ আঁচনিৰে তথা ধৰ্ষণ, লুণ্ঠন, গুপ্তহত্যা, মুক্তহত্যা আৰু নিৰ্য্যাতন, নিষ্পেষনেৰে এখন ৰাজ্যৰ এনেবোৰ সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰিব পৰা যায় বুলি আমি বিশ্বাস নকৰো। সেয়ে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে যুগ্মভাবে সৰ্বাত্মক প্ৰচেষ্টাৰে আলফাকে ধৰি উগ্ৰবাদী সংগঠনৰ লগত উদাৰভাবে চৰ্ত্তহীন আলোচনাত বহাটো আজিৰ এই পবিত্ৰ ক্ষণত আমি পুনৰ বাঞ্চা কৰিছো আৰু তাৰ বাবে যথোচিত পদক্ষেপ লবলৈ চৰকাৰৰ লগতে আলফাকে ধৰি উগ্ৰবাদী সংগঠন সমূহকো আমি মুক্ত কণ্ঠে আহ্বান জনালোঁ। সদৌ অসম কৰ্মচাৰী পৰিষদৰ সেৱাৰ চৰ্ত্ত সম্বলিত দাবী সমূহৰ লগতে এইবোৰ সমস্যাৰো সমাধান কৰণৰ দাবীত পৰিষদে যোৱা ৪-১০-২০০২ ইং তাৰিখে ৰাজভৱন যাত্ৰাৰ কাৰ্য্যসূচীৰ মাধ্যমতে সন্মানিত, ৰাজ্য পালক এখন স্মাৰক পত্ৰও দিয়া হয়। কৰ্মচাৰী পৰিষদৰ লগত বিষয় সমূহ সাত দিনৰ ভিতৰতে সন্মানিত ৰাজ্যপালে আলোচনা কৰাৰ বাবে সন্মত হোৱা বুলি তেখেতৰ সংশ্লিষ্ট উচ্চস্তৰীয় বিষয়াই পৰিষদক দিয়া আশ্বাস কিন্তু আজিলৈ কাৰ্য্যকৰী নহ'ল। আমি আশা পোষণ কৰিছো যে অসম চৰকাৰে এই ক্ষেত্ৰত পৰিষদক আস্থাত লৈ সমস্যাবোৰৰ সমাধানৰ অৰ্থে বাস্তৱ পদক্ষেপ গ্ৰহণ কৰিব।

**শ্ৰদ্ধাভাজন ৰাইজ আৰু কৰ্মচাৰী বন্ধু-বান্ধবী সকল,**

আই.এম.ডি.টি. আইন বাতিল কৰা বা নকৰাৰ বিষয়টোৰ দৰেই চৰকাৰী কাৰ্য্যালয়, অনুষ্ঠান প্ৰতিষ্ঠানত কৰ্মসংস্কৃতিৰ বিষয়টোও সম্প্ৰতি এটা ৰাজনৈতিক শ্লোগান ভিত্তিক প্ৰবনতা যেন হৈ পৰা বুলি আমি ধাৰণা কৰিবলৈ বাধ্য হৈ পৰিছো। ৰাজ্যিক কৰ্মচাৰীৰো একাংশৰ মাজত কৰ্মসংস্কৃতিৰ অভাৱ হোৱাৰ বিষয়টো বিগত প্ৰায় ২০ বছৰ ধৰি এক বহু চৰ্চিত আৰু বিতৰ্কিত বিষয় হৈ পৰিছে। চৰ্চা আৰু বিতৰ্ক বৰ শুভ কাজ বুলি গণ্য কৰাৰ থল থাকে যদিহে তেনে চৰ্চ্চা আৰু বিতৰ্ক নিৰপেক্ষ আৰু গঠন মুলক হয়। চাৰে চাৰি লক্ষ কৰ্মচাৰী, শিক্ষক আৰু বিষয়াৰ যিটো অংশক দুৰ্নীতিগ্ৰস্থ বা কৰ্ম সংস্কৃতিহীন বুলি ভবা হয়, সেই অংশটো দুৰ্নীতিমুক্ত বা কৰ্মসংস্কৃতিবান হলেই ৰাজ্যখন সৰ্বত্ৰ দুৰ্নীতিমুক্ত আৰু সংস্কৃতিবান হব পাৰে বুলি আমি পতিয়ন যাব পৰাৰ থল আছেনে? তেনে সম্ভাৱনা আমি দেখা নাই। সেইটো সম্ভৱহল হে'তেন যদিহে আমাৰ ৰাজ্যখনৰ আনসকলো ব্যক্তি দুৰ্নীতিমুক্ত তথা কৰ্মসংস্কৃতিবান হ'লহেতেন। কিন্তু ৰাজনৈতিক নেতা কৰ্মীকে ধৰি সমাজৰ প্ৰত্যেকটো শ্ৰেণীতে একো একোটা বুজন অংশৰ লোক ৰোগাকান্ত। সেয়ে সমস্যাটো অকল কৰ্মচাৰী, বিষয়াৰ কক্সাতেই আবদ্ধ হৈ থকা নাই। ই এটা জটিল সামাজিক সমস্যা তথা প্ৰত্যাহবান ৰূপে থিয় দিছে আৰু সকলো শ্ৰেণীৰ লোকৰ সমন্বিত এক গনতান্ত্ৰিক আৰু শান্তিপূৰ্ণ সমাজ বিপ্লৱ অবিহনে ইয়াৰ সমাধান বা পৰিস্থিতিৰ লঘুকৰণ সম্ভৱ নহয় বুলি আমি অনুভৱ কৰিছোঁ। সদৌ অসম কৰ্মচাৰী পৰিষদৰ তৰফৰ পৰা আমি এই আপাহতে কব খোজো যে অনুপ্ৰেৰণা জীয়াই থকাৰ, সৎ হোৱাৰ বা নিষ্ঠাপূৰ্ণ জীৱন যাত্ৰাৰ অন্যতম্ মূল উপাদান। কাৰ্য্যালয় আৰু শিক্ষানুষ্ঠান বোৰত সেই অনুপ্ৰেৰণাৰ পৰিবেশ শূণ্যতা সাম্প্ৰতিক সময়ত বিপদজনক হৈ পৰিছে বুলি কলে নিশ্চয় বঢ়াই কোৱা নহয়। কৰ্মচাৰী, শিক্ষক আৰু বিষয়া সকলৰো আকাঙ্খা থাকে। সেইয়ে তেখেতসকলক সমূলঞ্চে হতাশ কৰি, অসন্তুষ্ঠ কৰি ভাল কাম আশা কৰিব পৰাটো প্ৰশ্নবোধক হয়। সদৌ অসম কৰ্মচাৰী পৰিষদে কাৰ্য্যালয়ত অন্যান্য অনুষ্ঠান- প্ৰতিষ্ঠানত কৰ্ম অনুপ্ৰেৰণাৰ পৰিবেশ সৃষ্টিৰ প্ৰয়াসেৰে কৰ্মসংস্কৃতি বৰ্ষ পালন কৰিছে। সমদল উলিয়াই " ঘোচ দিয়া আৰু ঘোচ লোৱা বন্ধ কৰক " আদি শ্লোগানেৰে সমস্যাটোৰ প্ৰতি জনসাধাৰণৰ মনোযোগ আকৰ্ষনৰ প্ৰচেষ্টা চলাই আহিছে। কিন্তু সফল হোৱাৰ পথ মুকলি হোৱাটো পৰিলক্ষিত হোৱা নাই। আমি ভাৱো এই

OKDISCD

ক্ষেত্ৰত আমাৰ গতিশীলতা বৃদ্ধিৰ লগতে সকলো শ্ৰেণীৰ লোকৰ সমন্বিত প্ৰচেষ্টাৰ অপৰিহাৰ্য্যতা অনস্বীকাৰ্য্য। পৰিষদৰ উল্লেখিত দাবী আৰু সমস্যা সমুহ সমাধানৰ বাবে কেন্দ্ৰীয় কাৰ্য্যকৰী কমিটি আৰু কৰ্ণধাৰ সমিতিয়ে অহোপুৰুষাৰ্থ কৰি আহিছে। দাবীবোৰ তথা সমস্যা সমূহ সমাধান ৰ প্ৰচেষ্টাৰে পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্যকৰী কমিটি, সন্থা, সংঘ, সন্মিলনী আৰু জিলা কৰ্মচাৰী পৰিষদ সমূহৰ সন্মিলিত সভা ৫ খন, কেন্দ্ৰীয় কাৰ্য্যকৰী কমিটিৰ সভা ৩ খন, বিশেষ সাধাৰণ সভা এখন অনুষ্ঠিত কৰাৰ উপৰি ৫/৪/০২ ইং আৰু ১৩/৬/০২ ইং তাৰিখে দিছপুৰ লাষ্টগেটত দুদিন অৱস্থান ধৰ্মঘট কৰিছে। সৰ্বাত্মক অসহযোগ, কৰ্মবিৰতি আদি আন্দোলনৰ কাৰ্য্যসূচী ৰূপায়নৰ জৰিয়তে ৰাজ্যিক কৰ্মচাৰীৰ সমস্যা সমূহৰ প্ৰতি ৰাজ্য চৰকাৰৰ মনোযোগ আকৰ্ষণৰ ব্যৱস্থা হাতত লোৱা হৈছে। সম্পাদক প্ৰধান হিচাপে আমি সাংগঠনিক প্ৰক্ৰিয়া শক্তিশালী ৰূপত অব্যাহত ৰখাৰ স্বাৰ্থত মাজুলি, শদিয়া, নাজিৰা, চৰাইদেউ, শিৱসাগৰ, নামতি, পলাশবাৰী, কৰিমগঞ্জ, ৰঙিয়া, শিলচৰ, হাইলাকান্দি, মঙ্গলদৈ, তেজপুৰ, গহপুৰ আদি ঠাইত পৰিষদৰ সভাত যোগদান কৰিছোঁ। তাৰ উপৰি সদৌ অসম আমোলাসন্থাৰ কৰিমগঞ্জ অধিবেশন, সদৌ অসম কোষাগাৰ কৰ্মচাৰী সন্থাৰ তেজপুৰ অধিবেশন, সদৌ অসম এ.এন.এম আৰু এল.এইচ.এচ চাৰ্ভিচ সন্থাৰ তেজপুৰ অধিবেশন, আৰু বোকাখাট আঞ্চলিক কৰ্মচাৰী পৰিষদৰ অধিবেশনতো যোগদান কৰিছো। একেদৰে বছৰটোৰ ভিতৰত পৰিষদৰ কৰ্ণধাৰ সমিতিৰ সভা বহে ১৮ খন অৰ্থ্যাৎ প্ৰতিমাহে গড় হিচাপত ডেৰখনকৈ। পৰিষদৰ সকলো সিদ্ধান্ত পৰিষদৰ সভাবোৰত বিষদ পৰ্য্যালোচনাৰে গ্ৰহণ কৰা হয় আৰু সেইবোৰ সিদ্ধান্ত কাৰ্য্যকৰী কৰণৰ বাবে দৃঢ়তাৰে পদক্ষেপ লোৱাৰ কথা আপোনাসবেও নিশ্চয় অনুভৱ নকৰাকৈ থকা নাই।

<u>**হে সুধী সমাজঃ**</u> আমি পুনৰ উপনিত হবলৈ আগবাঢ়িছো এটা এক নতুন সমস্যাৰ সংগীন পৰিস্থিতিলৈ। কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় কৰ্মচাৰীৰ বাবে নতুন(৬ ষ্ঠ) দৰমহা আয়োগ গঠনৰ প্ৰক্ৰিয়া আগবঢ়াই থকাৰ বিষয়টো ইতিমধ্যো প্ৰকাশিত হৈছে। আমাৰো কোনো কোনেয়ে অসম দৰমহা আয়োগ গঠনৰ প্ৰতি সতৰ্ক হৈছে। কিন্তু এতিয়ালৈ কৰ্মচাৰী পৰিষদৰ তৰফৰ পৰা অসম দৰমহা আয়োগ গঠনৰ দাবী আনুষ্ঠানিক



OKDISCD

ভাবে উত্থাপন কৰা নাই। এই কাৰণতে যে ১৯৯৪ চনত গঠিত ৫ ম অসম দৰমহা আয়োগৰ অনুমোদন সাপেক্ষে অসম চৰকাৰে অসমৰ ৰাজ্যিক কৰ্মচাৰীৰ বাবে ১/১/৯৬ ইং তাৰিখৰ পৰা কাৰ্য্যকৰী কৰা দৰমহা আৰু ভাট্টা আদিৰ তুলনাত কেন্দ্ৰীয় চৰকাৰৰ ৫ ম দৰমহা আয়োগৰ অনুমোদনৰ ভিত্তিত কেন্দ্ৰীয় কৰ্মচাৰীৰ বাবে ১/১/৯৬ ইং তাৰিখৰ পৰা কাৰ্য্যকৰী কৰা দৰমহা আৰু অন্যান্য ভাট্টা আদি যথেষ্ট উৰ্দ্ধত নিৰ্দ্ধাৰিত হোৱাত অসমৰ কৰ্মচাৰী সকল ইতিমধ্যে বিপৰ্য্যস্ত হৈ পৰিছে। তেনে এটা পৰিস্থিতিত অসমৰ ৰাজ্যিক কৰ্মচাৰীৰ দৰমহা কেন্দ্ৰীয় কৰ্মচাৰীৰ লগত সামঞ্জস্য ৰাখি নিৰ্দ্ধাৰণ কৰাৰ বাবে পৰিষদৰ দাবীৰ এটা সু-মীমাংসা নোহোৱাকৈ দৰমহা আয়োগ গঠনৰ বিষয়টোৱে অসমৰ কৰ্মচাৰীৰ ভাগ্য কোনফালে ঠেলি দিয়ে সেইটো আমাৰ অনুমান বহিৰ্ভূত সমস্যা হৈ পৰিছে। সেয়ে কেন্দ্ৰীয় চৰকাৰে ৬ ষ্ঠ দৰমহা আয়োগ গঠন কৰাৰ পাছতেই আমি অভূত পূৰ্ব্ব পৰিস্থিতিৰ প্ৰত্যাহবানৰ মুখামুখী হব লগাটো প্ৰায় ধ্ৰুৱপ। এই বিষয়ত এটা সুস্থ পৰিবেশ সৃষ্টিৰে আৰু সোহাৰ্দপূৰ্ণ আলোচনাৰ মাধ্যমত সমস্যাটো সমাধানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সমুচিত পদক্ষেপ লব বুলি আমি আন্তৰিক প্ৰত্যয় পোষণ কৰিলোঁ।

আমি এটা কথা পুনৰ উনুকিয়াব খোজো যে বৰ্ত্তমান অধিষ্ঠিত চৰকাৰখনৰ দলীয় ইস্তাহাৰত কৈছিল যে তেখেত সকল ক্ষমতালৈ আহিলে কৰ্মচাৰী শিক্ষকৰ সমস্যাৰ সমাধান কৰিব। কিন্তু ক্ষমতালৈ অহাৰ পাছত চৰকাৰখনে নিজৰ দলীয় ইস্তাহাৰ আওঁকান কৰি কৰ্মচাৰী শিক্ষক সকলৰ এটাও সমস্যা সমাধানৰ ব্যৱস্থা হাতত নোলোৱাটো দুৰ্ভাগ্যজনক ঘটনা বুলি আমি উপলব্ধি কৰিছোঁ। সেয়ে নিজৰ দলীয় প্ৰতিশ্ৰুতি ৰক্ষা কৰি চৰকাৰে নিজৰ নৈতিক দায়িত্ব পালন কৰিব বুলি আমি এই অধিবেশত পুণৰ আহ্বান জনালোঁ।

**সেৱাৰ থলিৰ ৰাইজ আৰু কৰ্মচাৰী বন্ধু -বান্ধৱী সকল,**
আমাৰ প্ৰতিবেদন ইতিমধ্যে কিছু দীঘলীয়া হোৱা বুলি আমি অনুভৱ কৰিছো। তত্ৰাচ আমাৰ কথাখিনি আপোনালোকে আগ্ৰহেৰে শুনিছে আৰু আমাক অনুপ্ৰেৰণা যোগাইছে, তাৰবাবে কৃতাৰ্থ মানিছো। পৰিশেষত আমাৰ এই সুবিশাল ৰাষ্ট্ৰখনৰ

চালিকা শক্তিৰ মূল তত্বৰ প্ৰতি সকলোকে আমাৰ অনুভৱ খিনি প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিলো। চৰকাৰী চাকৰিয়াল তথা কৰ্মচাৰীসকল কোনো প্ৰধান মন্ত্ৰী, মুখ্যমন্ত্ৰী, অন্যান্য মন্ত্ৰী, সাংসদ বা বিধায়কৰ তলতীয়া চাকৰিয়াল বা কৰ্মচাৰী নহয়। গনতান্ত্ৰিক ৰাষ্ট্ৰৰ চৰকাৰ ৰাইজৰহে চৰকাৰ। চৰকাৰী কৰ্মচাৰী সকলো ৰাইজৰ কৰ্মচাৰী বা চাকৰিয়াল। গনতন্ত্ৰৰ মূল ভেটিটোৱেই হৈছে গণতান্ত্ৰিক ৰাষ্ট্ৰ। গণতান্ত্ৰিক ৰাষ্ট্ৰ হৈছে ৰাইজ তথা ৰাষ্ট্ৰখনৰ নাগৰিকসকলৰ ৰাষ্ট্ৰ। ৰাষ্ট্ৰপতি, প্ৰধান মন্ত্ৰী, ৰাজ্যপাল, মন্ত্ৰী বিধায়ক, সাংসদ, শ্ৰমিক, কৰ্মচাৰী, শিক্ষক, বিষয়া, শিল্পী-সাহিত্যিক, অৰ্থনীতিবিদ, আইনজ্ঞ, সমাজকৰ্মী, কৃষক, বনুৱা, মগনীয়া, ব্যৱসায়ী সকলোৱে ৰাষ্ট্ৰখনৰ নাগৰিক আৰু প্ৰত্যেকেই ৰাষ্ট্ৰ নিৰ্মাণৰ অংশীদাৰ । নাগৰিক সকলেই ৰাষ্ট্ৰৰ সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী। সেয়ে গণতন্ত্ৰত নাগৰিকৰ মাজত শাসক-শাসিত আৰু প্ৰভু-ভৃত্বৰ সম্পৰ্ক বৰ্ত্তিব পৰাৰ প্ৰশ্নই অৱান্তৰ । কৰ্মচাৰী, শিক্ষক, বিষয়া সকল নিজ নিজ কৰ্ম তথা কৰ্ত্তব্য পালনত শৃংখলাগত পদ্ধতিৰ বাবে পাৰস্পৰিক প্ৰক্ৰিয়া এটাৰ অংগ বিশেষ আৰু তেনে এক শৃংখলতা পূৰ্ণ প্ৰক্ৰিয়াৰ মাধ্যমত জনসেৱাৰ স্বাৰ্থতে কৰ্মচাৰী, শিক্ষক, বিষয়া সকলক গ্ৰেদ বা শ্ৰেণী বিভক্ত কৰাৰ অপৰিহাৰ্য্যতা অনস্বীকাৰ্য্য হলেও তেওলোকৰ নাগৰিকত্বক মৰ্য্যদা দিয়াৰ মনস্তাত্বিকতা অবিহনে সুস্থ প্ৰশাসনীয় পৰিবেশ সম্ভৱ নহয়। এই গুৰুত্বপূৰ্ণ কথাটোৰ প্ৰতি আমি আমাৰ চৰকাৰৰ মনোযোগ আকৰ্ষন কৰিলোঁ।

সামৰণিত আমি কবলৈ বিচাৰিছো যে এগৰাকী ব্যাক্তি সকলো কথাই ভুল বা শুদ্ধ হব নোৱাৰিব পাৰে। আমি কোৱা সকলো কথা আৰু কৰা কাম বোৰৰ এশ শতাংশই শুদ্ধ বুলি দাবী কৰিব পৰাৰ ধৃষ্ঠতা আমাৰ নাই। যদিহে আমি কৰা কিবা কাম বা কোৱা কিবা কথাত ভুল থাকি গৈছে তাৰ বাবে এই আপাহতে আমি মাৰ্জনা বিচাৰিছো। পৰিষদৰ সভাপতি বন্ধুবৰ শ্ৰীযুত ভৱেন বৈশ্য ডাঙৰীয়াই বিগত প্ৰায় আঢ়ৈ বছৰে পৰিষদৰ সভাপতিৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি আৰু সম্পাদক প্ৰধানৰ কাম খিনি সম্পাদনাত আমাক প্ৰেৰণা যোগাই অহাৰ বাবে তেখেতলৈ শলাগ জনালোঁ। অনুৰূপ ধৰণে কেন্দ্ৰীয় কাৰ্য্যকৰী কমিটিৰ প্ৰতি গৰাকী সন্মানিত বিষয়-ববীয়া আৰু

সদস্য,সদস্যাৰ প্ৰতি আমাৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ। আজিৰ এই মুকলি সভাৰ মুখ্য অতিথি প্ৰমূখ্যে মাননীয় অতিথি মণ্ডলী, ৰাইজ, অভ্যৰ্থনা সমিতি আৰু শ্ৰদ্ধাভাজন প্ৰতিনিধি বৰ্গলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰি আমাৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। জয় আই অসম। সত্যমেব জয়তে। ইতি-

বিনীত

শ্ৰীচৰণ ডেকা

সম্পাদক প্ৰধান

সদৌ অসম কৰ্মচাৰী পৰিষদ

OKDISCD